REFERENCE
(Not for Issue)
Reading Only Inside Library

# Assam Legislative Assembly Debates

सत्यमेव जयते

1987

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. III

### NO. 8

The 2nd March, 1979

*Geetali Art Press, Dispur, G. S. Road, Guwahati—781 022*

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1979

( Budget Session )

Volume— III

No— 8

Dated the 2nd March, 1979.

CONTENTS.


| | | Pagse |
|---|---|---|
| 1. | Questions ... ... ... ... ... | 5—45 |
| 2. | Miscellaneous .. ... ... ... | 45–46 |
| 3. | Obituary Reference ... ... ... ... | 46—48 |
| 4. | Dabate on the Governo,s Address ... ... | 48—82 |
| 5. | Adjournment ... ... ... ... ... | —83 |

Proceedings of the Third Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

—

The House met in the Assembly Chamber, Dispur. Gauhati on Friday, the 2nd March, 1979 with the Hon. Speaker in the Chair, 11 ( eleven ) Ministers 3 ( three ) Ministers of State, 4 ( four ) Parliamentary Secretaries and 92 ( ninetytwo) Members present.

—

## STARRED

## QUESTIONS AND ANSWERS

Date : 2nd March, 1979.

( To which oral answers were given )

Starred Question No. 75 was uot put, the Member being absent.

## Re: G. R. Cases

shri Golock Rajbanshi asked:

* 76: Will the Chief Minister be pleased to state—

(a) The number of G. R. cases registered in different police thanas of Darrang District during the year 1978?

(b) The number of cases investigations of which have been completed by I/Os and charge sheets submitted for trials ?

Shri Golap Borbora ( Chief Minister ) replied :

76: (a)— 4,277 cases were registered in the police stations of Darrang District during the year 1978.

(b)— Investigation of 3414 cases has been completed and charge-sheets against 1630 cases were submitted.

শ্ৰীগোলোক ৰাজবংশী ঃ— এই কেচ বিলাকৰ ক্ষেত্ৰত জমিদাৰ কিছুমানে, যদিও আইন মতে জমিদাৰ নাই, মহাজন আছে এক শ্ৰেনী সেই সকলে মাটিৰ পৰা উঠাই দিয়া ধৰণৰ কিমান টা কেচ আছে জনাবনে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) : — মুঠ কেচৰ সংখ্যা বৰ্ত্তমান মোৰ হাতত আছে কিন্তু কোন বিধৰ কিমান সংখ্যা সেইটো বৰ্ত্তমান হাতত নাই।

শ্ৰীগোলোক ৰাজবংশী : — এই কেচ বিলাকৰ ইনভেষ্টিগেশ্যনৰ সু ব্যৱস্থা নথকা কাৰণে ফাইনেল ৰিপোৰ্ট আৰু চাৰ্জ কৰাত পলম হয়। এই পলম হোৱাৰ কাৰণ কি ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) : — সাধাৰণতে এই বিলাক কেৱল যে দৰং জিলাতে হৈছে তেনে নহয় অন্যান্য ঠাইতো হৈছে। ইয়াৰ কাৰণ হৈছে যিমান পৰিমাণ কেচ আছে সেই অনুপাতে ইনভেষ্টিগেশ্যন কৰিবলৈ ষ্টাফ যথেষ্ট নহয়। এইটোও এটা কাৰণ।

শ্ৰীগোলোক ৰাজবংশী : — এইটো কথা সচানে যে চুপাৰভিজন ঠিকমতে নোহোৱাৰ কাৰণে ইনভেষ্টীগেশ্যনত পলম অযথাই হয় ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) : — চুপাৰভিজন নিয়মিত ভাৱে কৰি থাকিবলৈ প্ৰত্যেক থানালৈ ওপৰ মহলাৰ পৰা আৰম্ভ কৰি নিৰ্দ্দেশ দিয়া হৈছে কিন্তু কেচৰ ইনভেষ্টিগেশ্যনত পলম হোৱাৰ কাৰণ ষ্টাফ আদি কম হোৱাটোও এটা।

শ্ৰীগোলোক ৰাজবংশী : — প্ৰপালি ইনভেষ্টিগেশ্যন নকৰি অযথা পলম কৰাৰ কাৰণেই চাৰ্জেচীট দিয়াটো পলম হয় আৰু তাৰ কাৰণে সৰহ ভাগ কেচ নষ্ট হয় সেইটো সচাঁনে।

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) : — সকলো বিলাকতে তেনেকুৱা নহয়।

শ্ৰীফনী মেধী : — থানা বিলাকত গাড়ী আদি নোহোৱাৰ কাৰণে ইনভেষ্টিগেশ্যনত পলম হয় আৰু চুপাৰভিজন নথকাৰ কাৰণে ইনভেষ্টিগেশ্যন

ঠিকমতে নোহোৱা কথা সত্য নে ?

শ্ৰীগোলাপ ৰৰবৰা ( মুখ্যমন্ত্ৰী ) : — গাড়ীৰ কথাটো অৱশ্যে ঠিক। কিন্তু চুপাৰভিজন ঠিকমতে নিয়মিত ভাৱে কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। গাড়ীৰ কাৰণে যি কাম কাজত অসুবিধা হৈছে সেইটো আমাৰ ধনৰ অভাৱৰ কাৰণেই গাড়ী দিব পৰা নাই। ধনৰ ব্যৱস্থা হলেই গাড়ীৰ ব্যৱস্থা কৰিব পৰা হব।

Shri Md. Umaruddin : — Mr. Speaker Sir, may I know from the Minister Whether there is any norm of the strength of staff of the Police Stations in accordance with the number of cases; whether the number of cases are, from time to time, reviewd in terms of the strength of staff and whether the staff is increased from time to time ?

শ্ৰীগোলাপ ৰৰবৰা ( মুখ্যমন্ত্ৰী ) : — এইটো ৰিভিউ কৰি থকা হয়। এইটো কথা ঠিক যে ষ্টাফ কম হোৱা কাৰণে আৰু অন্যান্য সুবিধা সমূহ দিব পৰা নাই কাৰণে দেশৰ ধনৰ অভাৱৰ হেতু অলপ অসুবিধাই দেখা দিছে। অৱশ্যে এইটো কথা আপোনালোক সকলোৱে জানে যে ইংলণ্ডত প্ৰতি জন মানুহৰ মাজত এজন চিপাহী আৰু আমাৰ ইয়াত সাত হাজাৰ লোকৰ মাজত এজন চিপাহী। আমাৰ ধনৰ অৱস্থা যেতিয়াই টনকিয়াল হয় তেতিয়াই পুলিচ বিভাগৰ কৰ্ম্মচাৰী আৰু সুবিধা সমূহ আগবঢ়োৱাৰ কথা চিন্তা কৰা হব।

শ্ৰীচামচুল হুদা : — ইনভেষ্টিগেশ্যনত পলম হোৱা কাৰণে নিৰ্দ্দিষ্ট দিনৰ

ভিতৰত চাৰ্জচীট সম্পুৰ্ণ কৰিব নোৱাৰাৰ কাৰণে কেচ বিলাক বেয়া হৈ যায় এই কথা সচানে?

শ্ৰীগোলপ বৰবৰা (মুখ্যমন্ত্ৰী)ঃ— যিমান খৰতকীয়াকৈ পৰা যায় সেই বিলাক কৰাৰ ব্যৱস্থা কৰা হয়।

শ্ৰীযোগেন গগৈ:— ডাঙৰ ডাঙৰ গোচৰ বিলাক ততালিকে অনুসন্ধান কৰি চাৰ্জচীট নিদিয়াৰ ফলত গোচৰ বিলাক বেয়া হয় আৰু বহুত কেচ পেণ্ডিং হৈ পৰি থাকে। আকৌ গোচৰ দিয়াৰ পিচত্তো গাড়ীৰ কাৰণে ভাৰা আৰু তাৰোপেৰি অৰিহনা আদি নিদিলে অনুসন্ধান কৰিবলৈ নাযায় ইয়াৰ ফলত লোকক হাৰাশাস্তি কৰা হৈছে সেই কথাটো মুখ্যমন্ত্ৰী মহোদয়ে জানেনে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী)ঃ— অৰিহনাৰ ব্যৱস্থা যদি কৰবাত হয় সেইটো নিৰ্দ্দিষ্টকৈ কলে তদন্ত কৰিব পৰা হব। আৰু গাড়ী আদি এইবছৰতে দিয়াৰ কথা চিন্তা কৰা হব।

শ্ৰীচিৰাজুল হকঃ— একোজন এচ-আইয়ে মাহেকত কিমানটা কেচ অনুসন্ধান কৰিব লাগে তাৰ কিবা এটা নিৰ্দ্দিষ্ট সীমা বান্ধি দিলে ভাল হয় তেনে কৰিব নোৱাৰিনে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী)ঃ— তেনে নিৰ্দ্দিষ্ট সীমা বান্ধি দিয়া নাই।

শ্ৰীচামচুল হুদাঃ— ষাঠি দিনৰ ভিতৰত ইনভেষ্টিগেশ্যন কৰি চাৰ্জচীট নিদিয়াৰ ফলত বহুত কেচ বেয়া হৈ যায় এইটো কথা সচানে? কিয়োনো আইন মতে ষাঠি দিনৰ ভিতৰত কিছুমান চাৰ্জচীট দাখিল কৰিব লাগে।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (আইন মন্ত্ৰী)ঃ— মাননীয় সদস্য গৰাকীয়ে কোৱা কথা

টোৰ ক্ষেত্ৰত এইটো ঠিক যে ষাঠি দিনৰ বেছি হলে বা ষাঠি দিনৰ ভিতৰত চাৰ্জচীট দিব পৰা নহলে জামিনত দিবলগীয়া হয়। গতিকে চাৰ্জচীট দিয়াৰ কথা নাই। এইতো কেৱল পুলিচৰ ওপৰতেই নিৰ্ভৰ নকৰে কিয়নো হেণ্ড ৰাইটিং এক্সপাৰ্ট, ফৰেণচিক লেব'ৰেটৰি ইত্যাদি বহুত কথাও ইয়াৰ লগত জড়িত আছে। এই বিলাক কাৰণত অলপ পলম হোৱা স্বাভাৱিক।

Re: Proposal for increase of one more train from Gauhati to Silchar

Shri Nepal Chandra Das asked:

* 77: Will the Minister, Transport be pleased to state—

Whether there is any proposal of the State Government to move the Central Government for increase of one more train from Gauhati to Silchar due to rush of passengers in the Barak Valley Express?

Shri Zahirul Islam ( Minister, Taansport ) replid:

77.— Yes, the matter is under correspondence with Ministry of Railways ( Government of India).

শ্ৰীনুৰুল হুদা :— অধ্যক্ষ মহোদয়, রাজ্য সরকার এই কথা জানেন কি যে শিলচর থেকে লামডিং হয়ে গৌহাটী যাওয়ার জন্য একমাত্র

ট্রেন হলো বরাক ভেলী এক্সপ্রেস এবং এই একমাত্র ট্রেন থাকার জন্য কাছার থেকে যাওয়া আসা করার জন্য যাত্রীরা যে ভয়ানক দুর্ভোগ ভোগ করেছেন এই কথা রাজ্য সরকার অবগত আছেন কি? এই পরিপ্রেক্ষিততে রাজ্য সরকার কেন্দ্রীয় সরকারের সঙ্গে যোগাযোগ করেছেন কি যাতে কাছাড়ের সঙ্গে অন্ততঃ ব্রহ্মপুত্র ভ্যালীকে সংযোগ সাধনের জন্য আর একটি ট্রেন এর ব্যবস্থা করা যায়?

শ্রীজহীরুল ইসলাম (মন্ত্রী) : — এই কথা সকলেরেই জন্য যে এই একমাত্র ট্রেন যোগাযোরে জন্য যাত্রীদের প্রচুর দুর্ভোগ হয় এবং সেইজন্য আসাম সরকার কেন্দ্রের রেলওয়ে মন্ত্রী শ্রীমধু দণ্ডবতের নিকট একটা মেমরেণ্ডাম দিয়েছিলেন এবং তাছাড়াও এ নিয়ে ১৯।৪।৭৮ ইং তে সরকারের তরফ থেকে N.F. Railway র জেনেরেল ম্যনেজারকে একটা চিঠি দেওয়া হয়েছিল। এর উত্তরে জেনেরেল মেনেজার জানিয়েছেন যে অতিরিক্ত লোকোমেটিভ ও কোচ না থাকায় এই ব্যপারে তাদের অসুবিধা হচ্ছে। এরপর আসাম সরকারের তরফ থেকে রেলওয়ে বোর্ডকে জানিয়েছি যে অতিরিক্ত লোকোমেটিভ এবং প্রয়োজনীয় কোচ যাতে তারা ব্যবস্থা করেণ। সেটার উত্তর এখনো আসেনি। ৬।২।৭৯ তারিখের এক চিঠিতে খুব গুরুত্ত আরোপ করে এই অঞ্চলের রেল যোগাযোগের উন্নতির জন্য রেলওয়ে মন্ত্রী মহোদয়ের কাছেও একটা ডি ও লেটার দিয়েছি।

শ্রীনেপাল চন্দ্র দাস : — মন্ত্রী মহোদয় জানেন কি যে কাছাড়ের অনেক যাত্রী টিকিট কেটেও ভিড়ের জন্য পূজার ছুটিতে যেতে পারেনি।

মাননীয় অধ্যক্ষ : — সেটা উনি কি করে বলবেন?

শ্ৰীঅতুল গোস্বামী : — মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে উজনি অসমলৈ যেতিয়া ৰেল গাড়ী যায়, তেতিয়া তিনি চাৰিটা ডবা লামডিঙত কাটি দিয়া হয় আৰু ফলত যাত্ৰীৰ নানা অসুবিধা হয়। ইয়াৰ কাৰণ আগতে নোটিচ্ ডিছপ্লে' নকৰাটোৱেই প্ৰধান। যাৰ ফলত তিনচুকীয়া, ডিব্ৰুগড়লৈ যোৱা যাত্ৰীয়ে নানা অসুবিধাৰ সমুখীন হয়। মন্ত্ৰী মহোদয়ে এই বিষয়ে কিবা ব্যৱস্থা লোৱাৰ কথা জনাবনে?

শ্ৰীজহীৰুল ইচলাম (মন্ত্ৰী) : — মাননীয় অধ্যক্ষ মহোদয়, এই অসুবিধা বোৰৰ দৃষ্টিগোচৰ হৈছে আৰু ৰেলৱে বিভাগৰ লগত এই বিষয়ে আলোচনা কৰা হৈছে। ৰেলৱে বিভাগৰ পৰা এখন চিঠি আহিছে যে ডবা কাটি দিব লগীয়া হলে আগতে চাইন বোৰ্ড দিয়াৰ ব্যৱস্থা হাতত লোৱা হ'ব।

শ্ৰীনিশিখ রঞ্জন দাস : — গৌহাটি থেকে অন্যান্য রাজ্যের যেমন ত্রিপুরা, মিজোৰাম, মনিপুর ইত্যাদি অঞ্চলৰ যাত্রীরা যে এই বি ভি এক্সপ্রেসে যাতায়ত করে এ কথা মন্ত্রী মহোদয় জানেন কি?

আর মাননীয় সদস্য শ্রীনেপাল দাস মহাশয় যে কথা বলেছেন যে টিকেট করা স্বত্বেও অনেক যাত্রীরা ভীড়ের জন্য উঠতেই পারেনা এটা অতি সত্যকথা। সুতরাং এর পরিপ্রেক্ষিততে গুরুত্বপূর্ণ লাইনে আর একটি ট্রেন' এর ব্যবস্থা করবেন কি?

শ্ৰীজহীৰুল ইচলাম (মন্ত্ৰী) : — অধ্যক্ষ মহোদয়, মই ব্যক্তিগত ভাবে উত্তৰ দিছো।

বিষয় : নলবাৰী মহকুমাত দিয়া গৰু মহৰ ঋণ

শ্ৰীনৰেন্দ্ৰ নাথ দত্তই সুধিছে :

*৭৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গৰু মহৰ ঋণৰ বাবদ বৰ্ত্তমান বিত্তীয় বছৰত নলবাৰী মহকুমাত কিমান টকা মঞ্জুৰ কৰা হৈছিল?

(খ) কিমান মানুহক এই ঋণ দিয়া হ'ল? (শুক্ল ভিত্তিত হিচাব দেখুৱাব)

শ্ৰীলক্ষেশ্বৰ গোহাঁই (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৭৮। (ক)— মুঠ ২০,০০০ টকা (বিশ হাজাৰ) মঞ্জুৰী দিয়া হৈছে।

(খ)— মুঠ ৪০ জন মানুহক এই ঋণ দিয়া হৈছে। বৰক্ষেত্ৰী খণ্ড উন্নয়নৰ ৩৪ জনক আৰু টিহু বৰমা খণ্ড উন্নয়নৰ ৬ জনক (মুঠ ৪০ জনক) দিয়া হৈছে।

শ্ৰীনৰেন্দ্ৰ নাথ দত্ত :— মাননীয় অধ্যক্ষ মহোদয়, নলবাৰী চাব ডিভিজনত ৭ টা ব্লক আছে আৰু সেই ব্লক কেইটাৰ ভিতৰত মাত্ৰ ২ টা ব্লকৰ ৪০ জন মানুহকহে বলধ কিনিবৰ কাৰণে ঋণ দিয়া হৈছে। ২০ হেজাৰ টকাৰ ভিতৰত নিশ্চয় একোজনক তিনিশ টকাৰ পৰা পাচশ টকালৈ দিয়া হৈছে। বাকী খিনি টকা বাকী থকা অঞ্চল বোৰত কিয় দিয়া হোৱা নাই মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

শ্ৰীলক্ষেশ্বৰ গোহাই (মন্ত্ৰী) : — অধ্যক্ষ মহোদয়, এই চাব ডিভিজনত ৭ টা

ব্লক আছে হয়। কিন্তু এই ব্লক বোৰৰ ভিতৰত বৰমাৰ পৰা ৮৮ খন আৰু টিহুৰ পৰা ১৫৯ খন আবেদন পোৱা গৈছে। সেইবোৰ চালি জাৰি চাই সেই ছুটা ব্লকৰ ৪০ জনক তিনিশৰ পৰা পাচশলৈকে ঋণ দিয়া হৈছে।

শ্ৰীনৰেন্দ্ৰ নাথ দত্ত :— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে সেই ঋণ বিলাক মহকুমাধিপতিৰ জৰিয়তে দিয়া হয়নে, ব্লকৰ জৰিয়তে দিয়া হয়?

শ্ৰীলক্ষেশ্বৰ গোহাই ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, এই ঋণ মহকুমাধিপতিৰ জৰিয়তে দিয়া হয়।

শ্ৰীনৰেন্দ্ৰ নাথ দত্ত : — মাননীয় অধ্যক্ষ মহোদয়, ঋণৰ বাবদ এই ২০ হেজাৰ টকাযে দিয়া হৈছে সেইটো বহুতো অঞ্চলত ৰাইজে নেজানে। সেয়েহে বিপদ গ্ৰস্থ ৰাইজে সেই ঋণৰ বাবে আবেদন নকৰাকৈ আছে আৰু সেই কাৰণেই যেনে ধৰণে ঋণ বিতৰণ হ'ব লাগিছিল তেনে ধৰণে হোৱা নাই। গতিকেই মই ভাবো এই শিতানৰ ধন এনেয়ে পৰি আছে, এই কথা মন্ত্ৰী মহোদয়ে জানেনে নেজানে? আৰুএই ২০ হেজাৰ টকা কিমান ব্লকৰ ভিতৰত দিয়া হৈছে?

শ্ৰীলক্ষেশ্বৰ গোহাই ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, এই ২০ হেজাৰ টকা সকলো মহকুমাৰ কাৰণে দিয়া হৈছে।

Shri Gauri Sankar Roy :— What are the terms and Conditions of the loans?

শ্ৰীলক্ষেশ্বৰ গোহাই ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, নিৰ্দ্দিষ্ট নিয়ম নাই।

ম: চিৰাজুল হক:— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে টিহু বৰমা খণ্ড উন্নয়ণৰ ৬ জনকহে এই ঋণ দিয়া হৈছে বাকী বিপদ গ্ৰস্থ লোকক দিয়া হোৱা নাই কিয় ?

শ্ৰীলক্ষেশ্বৰ গোহাই ( মন্ত্ৰী ): — অধ্যক্ষ মহোদয়, এই ঋণ বান পানীত যাৰ গৰু ম'হ মৰিছে বা একেবাৰে যাৰ অৱস্থা নাই তেনেকুৱা মানুহক দিয়া হৈছে, অলপীয়াকৈ ক্ষতিগ্ৰস্থ হোৱা লোকক দিয়া হোৱা নাই।

শ্ৰীফনী মেধি : — মাননীয় অধ্যক্ষ মহোদয়, এই ঋণ সাধাৰণতে কত বেছিকৈ দিয়া হৈছে ?

শ্ৰীলক্ষেশ্বৰ গোহাই ( মন্ত্ৰী ): — অধ্যক্ষ মহোদয়, গুৱাহাটী মহকুমাত এই ঋণৰ পৰিমান বেছিকৈ দিয়া হৈছে।

শ্ৰীযোগেন গগৈ: — মাননীয় অধ্যক্ষ মহোদয়, এই টকা দান হিচাবে ধৰা হয়নে ঋণ হিছাবে ধৰা হয় ?

শ্ৰীলক্ষেশ্বৰ গোহাই ( মন্ত্ৰী ): — অধ্যক্ষ মহোদয়, এই টকাটো ঋণ হিচাব ধৰা হয়।

শ্ৰীগজেন তাতী: — মাননীয় অধ্যক্ষ মহোদয়, এই টকাটো বিতৰণ কৰাৰ কিবা নিৰ্দ্দিষ্ট নিয়ম-নীতি নাই নেকি ?

শ্ৰীলক্ষেশ্বৰ গোহাই ( মন্ত্ৰী ): — অধ্যক্ষ মহোদয়, নীতি-নিয়ম আছে।

শ্ৰীগজেন তাতী: — মাননীয় অধ্যক্ষ মহোদয়, যদি নিৰ্দ্দিষ্ট নিয়ম আছে সেই নিয়ম বিলাক কি কি ?

শ্ৰীলক্ষেশ্বৰ গোহাই ( মন্ত্ৰী ): — অধ্যক্ষ মহোদয়, এইটো আগতেই কোৱা

হৈছে যে যি ঠাইত বানপানী মাৰিমৰক আদিত বেচিকৈ গৰু-মহ মৰিছে তেনে ঠাইত চাই চিতি ঋণ দিয়া হৈছে, বাকী ঠাইত দিয়া হোৱা নাই।

শ্ৰীগোলোক ৰাজবংশী ঃ— মাননীয় অধ্যক্ষ মহোদয়, গৰু, মহ মৰিছে বুলি কৈ যি কোনো মানুহেই আবেদন কৰিলে এই ঋণ দিয়া হয় নেকি ?

শ্ৰীলক্ষেশ্বৰ গোহাই (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, সেইটো কথা নহয়।

শ্ৰীদীপক ভটাচাৰ্য্য ঃ— স্যাৰ, মাথাপিছু কত টাকা কৰে ক্যাটেল লোন দেওয়া হয়েছে ?

শ্ৰীলক্ষেশ্বৰ গোহাই (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, হাইলাকান্দিত ৫০০ শ টকা দিয়া হৈছে।

শ্ৰীকুলবাহাদুৰ ছেত্ৰী ঃ— মাননীয় অধ্যক্ষ মহোদয়, ৫০০ টকা ঋণ দিয়া হয় যদিও এই টকাৰে এটা গৰু কিনাৰ কাৰণেও সম্ভৱ নহয়। গতিকে প্ৰতি কৃষকক এহেজাৰ টকাকৈ দিব পাৰিলে ভাল হয়।

শ্ৰীলক্ষেশ্বৰ গোহাই (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, সেইটো বিবেচনা কৰি চোৱা হ'ব।

শ্ৰীজয়নাল আবেদিন ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে সেই ঋণৰ টকা কেৱল দুখীয়া কৃষকৰ মাজতহে ভগাই দিয়া হৈছেনে অন্য কৃষককো দিয়া হৈছে ?

শ্ৰীলক্ষেশ্বৰ গোহাই (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, হয় কেৱল দুখীয়া খেতিয়কৰ মাজতহে সেই ঋণ দিয়া হৈছে।

মঃ আবদুল লতিফঃ— মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈকে যিমান বিলাক ঋণ দিয়া হ'ল সেই সকলোবোৰ দুখীয়া কৃষককেই দিয়া হৈছিল নে?

শ্ৰীলক্ষেশ্বৰ গোহাই ( মন্ত্ৰী ):— অধ্যক্ষ মহোদয়, হয় সেইবোৰ কেৱল কৃষককেই দিয়া হৈছিল।

শ্ৰীনৰেন্দ্ৰ নাথ দত্ত:— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই অনুগ্ৰহ কৰি জনাবনে যে এতিয়ালৈকে যি ৪০ জনক দিয়া হৈছে তেওঁলোকক কি হাৰত দিয়া হৈছে?

শ্ৰীলক্ষেশ্বৰ গোহাই ( মন্ত্ৰী ):— অধ্যক্ষ মহোদয়, ৫০০ শ টকাকৈ দিয়া হৈছে।

শ্ৰীৰবীন্দ্ৰ মালাকাৰঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে গুৱাহাটী ডিভিজনত কিমান টকা দিয়া হৈছিল, গুৱাহাটীৰ ডি, চি, ক শুধাত কয় যে টকা দিয়া হোৱা নাই, কথাটো সচানে?

শ্ৰীলক্ষেশ্বৰ গোহাই ( মন্ত্ৰী ):— অধ্যক্ষ মহোদয়, ইতিমধ্যে ৪০ হেজাৰ টকা দিয়া হৈছে।

শ্ৰীগজেন তাতী ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে যেতিয়া এই ঋণ দিয়া হয় তেতিয়া ঋণৰ বাবদ কিবা মাটি আদি মদগ্ৰেজ দিব লাগে নেকি?

শ্ৰীলক্ষেশ্বৰ গোহাই ( মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, আগতে উল্লেখ কৰা হৈছেই।

শ্ৰীজীৱন বৰা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে এই ঋণৰ নগদ টকা হিচাবে দিয়া হয়নে গৰু, ম'হ কিনি

দিয়া হয় ?

শ্রীলক্ষেশ্বর গোহাই ( মন্ত্রী ) :— অধ্যক্ষ মহোদয়, এই ঋণ নগদ টকা হিচাবে দিয়া হয় ।

**Re : Post of Arabic Lecturer in Karimgang College**

**Shri Nishith Ranjan Das asked :**

*79. Will the Minister, Education be pleased to state—

(a) Whether there is any Arabic Lucturer in Karimganj Colleg ?

(b) If not what is the reason ?

**Shri Lashyadhar Choudhury (Mlnister, Education) redlied:**

79. (a)— No.

(b)— The College authority have not yet received permission to introduce the Subjedt in Degree level from the Gauhati University. Sanction of a post of lecturer in Arabic can be considered only when such permission is accorded by the University Gauhati.

শ্রীনিশীথ রঞ্জন দাস :— অধক্ষ্য মহোদয়, এই ব্যাপারে গৌহাটী ইউনির্ভাসিটির দৃষ্টি আকর্ষণ করার জন্য করিমগঞ্জ কলেজের গভানিং

বডি ডি পি আই'কে একটা চিঠি দিয়েছিলেন। তখন ইউনির্ভা-সিটি জানিয়েছিলেন যে পোষ্ট সেংশন না হলে ইউনির্ভাসিটি এজন্য অনুমোদন দিতে পারবে না। সুতরাং মন্ত্রী মহোদয় কি করিম-গঞ্জের মুসলিম এবং অন্যান্য ছাত্রদের জন্য এই এরাবিক এবং এডিশনেল মেথেমেটিক্সের পোষ্টেৰ সেংশন দেওয়া ৰ্যবস্থা করবেন।

শ্রীলক্ষ্যধৰ চৌধুৰী (শিক্ষা বিভাগৰ মন্ত্রী) :— মই যিটো দেখিছোঁ কৰিম গঞ্জ কলেজৰ গৰ্ভনিং বডীয়ে ২৪-৬-৭৬ তাৰিখে তেখেতসকলৰ নং ৫০৯৮ নবেম্বৰত চিঠি লিখিছিল আৰবিক বিষয়টো তেওঁলোকৰ কলেজত দিবৰ কাৰণে। কিন্তু যিহেতু সেই সময়ত এক্টমতে বিধি মতে প্ৰাগবিশ্ববিদ্যালয় খোলা কথাটো মানাহী আছিল সেই কাৰণে দিব পৰা নহল। যোৰা বিধান সভাত সেই বাধা উঠাই দিয়া হৈছে আৰু এতিয়া সেই ব্যৱস্থা কৰিব পৰা হব। যদিহে তেওঁ-লোকে ৩১ মাৰ্চ্চৰ আগতে বিশ্ববিদ্যালয়লৈ আবেদন কৰে। আমাৰ ডি পি আই লৈ ৩০-৯-৭৮ তাৰিখে পঠিওৱা এখন চিঠী ৬-১১-৭৮ তাৰিখে পাইছে। অৱশ্যে তাৰ কপি এটা পঠাই দিব পাৰিম। ডি পি আই দিছে নে নাই জনা নেযায়। কিন্তু এই অঞ্চলত আৰবিকৰ প্ৰসাৰ হোৱাতো বৰ্ত্তমান চৰকাৰে বিবেচনা কৰে।

শ্রীনূৰুল হুদা :— স্যার, মধ্যপ্রাচ্য এবং আফ্রিকার কোন কোন দেশেও আরবিক ভাষার প্রচলন হয়েছে। কোন একটি ধর্মীয় সম্প্রদায়ের ভাষা হিসাবে একথা বলা হচ্ছে না। করিমগঞ্জ কলেজেৰ অধ্যক্ষ মহাশয় বোধহয় তাঁর চিঠিতে একথা লিখেছিলেন যে করিমগঞ্জ কলেজের মুসলমান এবং হিন্দু অনেক ছাত্রই দাবী করছে যে এই কলেজে আরবিক ভাষার একটি ডিপার্টমেণ্ট খোলা উচিত। এই হিসাবে বোধহয় আমাদের শিক্ষামন্ত্রী অতটা গুরুত্ব দেননি। সুতরাং

আমি শিক্ষামন্ত্ৰীকে জিজ্ঞাসা করতে চাই যে তিনি কি একথা পূনৰ্বিবেচনা করবেন ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী):— আৰবি ভষাতো পৃথিৱীতে আছে। সাংস্কৃত আৰু আৰবিক এই দুয়োটা ভাষাকে বিশ্বৰ ভিতৰতে পৰিগণিত কৰিবলৈ চৰকাৰ ইচ্ছুক আৰু কথাটো গুৰুত্ব সহকাৰে বিবেচনা কৰিছে যাতে এই বিষয়দুটা ভালকৈ প্ৰচাৰ হয়। কিন্তু গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ যিথন এক্ট সেই মতে কোনোবা এটা বিষয় খোলোতে তেওঁলোকৰ কলেজ সমূহৰ পৰিদৰ্শকে পৰিদৰ্শণ কৰিহে বিষয়টো নিৰ্দ্ধাৰণ কৰে আৰু তাৰ পিচত আমালৈ পঠিয়াই আমি বিষয়টো বিবেচনা কৰোঁ। মই ব্যক্তিগত ভাবে মোৰ মাননীয় সদস্য বন্ধুজনৰ লগত বিশ্ববিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ কৰিব পাৰিম। কিন্তু নিৰ্দ্দেশ দিবলৈ নিয়ম মতে বাধা আছে। সাংস্কৃত আৰু আৰবিক এই ভাষা দুটা অকল অসমতে নহয় ভাৰতৰ ভিতৰত প্ৰচাৰৰ ব্যৱস্থা নকৰিলে আমি আমাৰ সাংস্কৃত দিশত বহু পিচ পৰি থাকিব লাগিব।

শ্ৰীআব্দুছ সোভান :— কোনো কলেজত এই আৰবিক বিষয়টো খুলিবলৈ হলে সেই বিভাগত কিমান ছাত্ৰ-ছাত্ৰী লাগে তাৰ কিবা হিচাপ আছে নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— মই জনাত মহাবিদ্যালয় সমূহৰ পৰিদৰ্শকে পৰিদৰ্শন কৰি অনুমোদন কৰিলেহে বিষয়টো দিব পৰা যায়।

মহম্মদ চামচুল হুদা :— শিক্ষা মন্ত্ৰী মহোদয়ৰ যি মনোভাৱ আৰবিক আৰু সাংস্কৃত ভাষা সম্পৰ্কে সেই মনোভাৱ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত তলৰ বিষয়া সকলেও যাতে লয় তাৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধৰী (মন্ত্ৰী) ঃ— কৰা হব। অম্যাতকৈ তলত কোনো নাই। মন্ত্ৰী সকলেই আটাইতকৈ তলত।

শ্ৰীমুকুট শৰ্ম্মা ঃ— মই জানিব বিচাৰিছোঁ অসমৰ কেইখন কলেজত আৰবিক শিক্ষা দিয়াৰ ব্যৱস্থা আছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— চৰকাৰী গোটেই কেইখনত আছেই। এইডেডৰ কিমানত আছে পিচত প্ৰশ্ন হিচাপে বিচাৰিলে দিব পাৰিম।

শ্ৰীএ এন আক্ৰামুল হুচেন শইকীয়া ঃ— শিক্ষা মন্ত্ৰী মহোদয়ে কৈছে যে মন্ত্ৰী সকলেই আটাইতকৈ তলত গতিকে এই সংস্কৃত আৰু আৰবিক ভাষাক উৎসাহিত কৰি বৰ কাৰণে মন্ত্ৰীয়ে বিষয়া সকলক নিৰ্দ্দেশ দিব নে বিষয়া সকলে নিজে নিজে লব ?

( উত্তৰ নাই )

Starred Questions No. 80 was not put, the Members being absent.

**বিষয় ঃ অসমৰ একাউনটেন্ট জেনেৰেলৰ কাৰ্য্যালয়**

শ্ৰীমুকুট শৰ্ম্মাই সুধিছে ঃ

* ৮১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ একাউন্টেন্ট জেনেৰেলৰ কাৰ্য্যালয় অসমলৈ অনাৰ কথা চৰকাৰে বিবেনা কৰিছে নেকি ?

(খ) যদি কৰিছে, এই সম্পৰ্কে কি কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৮১। (ক)— কেন্দ্ৰীয় চৰকাৰে এই বিষয়ে বিবেচনা কৰিছে।

(খ)— এই কাৰ্য্যালয়ৰ কাৰণে ভাৰাঘৰ যোগাৰ কৰি একউনটেন্ট জেনেৰেলক জনোৱা হৈছে।

শ্ৰীমুকুট শৰ্ম্মা ঃ— মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে তেখেতে যোৱা অধিবেশনতে এই এ জি অফিচ টো অতি সোনকালে স্থানান্তৰ কৰা হব বুলি কৈছিল গতিকে এই অতি সোনকালে কিবা এটা সীমাৰেখা দিব পাৰে নেকি যে ইমান দিনৰ ভিতৰতে নামি আহিব?

শ্ৰীগোপ বৰবৰা ( মুখ্যমন্ত্ৰী ) ঃ— সীমাৰেখা নিৰ্দ্দিষ্ট ভাৱে দিয়াটো অসুবিধা। কাৰণ তেওঁলোকক ঘৰ দিব পৰা নাই। আগতে এটা ৪ হাজাৰ স্কোৱাৰ ফিটৰ ঘৰ দিলো কিন্তু সেইটো সৰু হব বুলি কলে। এতিয়া চাৰে পাচ হাজাৰ স্কোৱাৰ ফিটৰ এটা ঘৰ দেখুৱা হৈছে আৰু তেওলোক তাত সন্তুষ্ট হৈছে। গতিকে অতি সোনকালে আহিব।

শ্ৰীপ্ৰমেদা চন্দ্ৰ গগৈ ঃ— মন্ত্ৰী মহোদয়ে (ক) প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় চৰকাৰে বিবেচনা কৰি আছে বুলি কৈছে। মই জানিব বিছাৰিছো কেন্দ্ৰীয় চৰকাৰে গোটেই কাৰ্য্যালয়টো অনাৰ কথা বিবেচনা কৰিছে নে অসমৰ অংশটো অনাৰ কথা ভাবিছে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— অসমৰ অংশটো।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ ঃ— এই কথা সচা নেকি এজি অফিছ স্থায়ীভাবে স্থানান্তৰ কৰাৰ কাৰণে ৰাজ্য চৰকাৰক এটুকুৰা মাটি বিছাৰিছে

আৰু এতিয়ালৈকে ৰাজ্য চৰকাৰে সেই মাটি দিব নোৱাৰা কাৰণে কাৰ্য্যালয় স্থানান্তৰ হোৱা নাই এই কথা সত্য নে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী):— এইখিনি কৰোতে দেৰী হব কাৰণে ভাৰা ঘৰ বিছৰা হৈছে আৰু মাটিও দিবলৈ স্থিৰ কৰা হৈছে। কিন্তু ঘৰ কৰোতে দেৰী হব কাৰণে ভাৰা ঘৰতে থাকিব লাগিব।

শ্ৰীভবেন্দ্ৰ কুমাৰ শইকীয়া:— অধ্যক্ষ মহোদয়, মই এটা কথা মুখ্যমন্ত্ৰী মহোদয়দক সুধিব বিচাৰিছো যে একাউণ্টটেণ্ট অফিচটো স্থানান্তৰ কৰাৰ আগতে স্থায়ী ৰাজধানীৰ স্থিৰ কৰি লব নেকি? কাৰণ আজি এটা অফিচ ইয়ালৈ আনিব, পিচত ৰাজধানী স্থানান্তৰ হলে আকৌ অফিচটো ইয়াৰ পৰা স্থানান্তৰিত কৰিব লাগিব। সেই কাৰণে মই কব বিচাৰিছো এ, জি, অফিচটো স্থানান্তৰিত কৰাৰ আগতে স্থায়ী ৰাজধানীৰ স্থান নিৰ্ণয় কৰিব নেকি?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী):— ৰাজধানীৰ কথাটো যিকোনো সময়তে সিদ্ধান্ত গ্ৰহণ কৰিব পৰা যাব। কিন্তু এতিয়া অফিচটো আহিলে আমাৰ সুবিধা হব।

শ্ৰীপ্ৰেমধৰ বৰা:— এই এ, জি, কাৰ্য্যালয়টো অসম ৰাজ্যৰ বাহিৰত থকাৰ কাৰণে অসম চৰকাৰে কাৰ্য্যনিৰ্বাহ কৰাত অসুবিধা হৈছে। আৰু বিষয়া সকল বদলি হলে ৬-৭ মাহ পে-শ্লিপ নোপোৱাকৈ থাকে। গতিকে তাৰ গুৰুত্ব উপলব্ধি কৰি এই অফিচটো সোনকালে অনাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী):— আমি সোনকালে অনাৰ ব্যৱস্থা কৰিছো।

Shri Altaf Hossain Mazumdar:— Mr. Speaker, Sir, the replies of the Chief Minister seem to be con-

tradictory. The first point is has the Govt: of India taken the decision to shift Assam Section of the Accountant General's office? If the Govt. of India has taken the decision to shift the office then only the question of providing house accommodation devolves on the Govt. of Assam:

Shri Golap Borbora, (Chief Minister):— As the Govt: of India has already agreed so we have now decided that we should make arrangement for accommodation for the office at Gauhati.

Shri Altaf Hossain Mazumdar:— Then, Sir, it is no longer under consideration; it has been decided.

Shri Golap Borbora, (Chief Minister):— Yes.

বিষয় ঃ ডায়েৰী ফাৰ্ম

শ্ৰীযোগেন গগৈয়ে সুধিছে ঃ

* ৮২। মাননীয় পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত কিমানখন ডায়েৰী ফাৰ্ম আছে আৰু এই ফাৰ্মসমূহ ক'ত ক'ত আছে?

(খ) বৰ্ত্তমান এই ফাৰ্মসমূহ কি কি অৱস্থাত আছে?

(গ) প্ৰতিখন ডায়েৰী ফাৰ্মৰ বাবে কিমান কিমানকৈ মাটি গৰু, কৰ্ম্মচাৰী বিষয়া আদি আছে?

(ঘ) প্ৰতিখন ডায়েৰী ফাৰ্মৰ পৰা কিমানকৈ গাখীৰ উৎপাদন হয় আৰু এই গাখীৰ বিক্ৰীৰ বাবদ বছৰি কিমান কিমান টকাকৈ আয় হয়?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (পশু পালন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিয়েঃ

৮২। (ক)— এই বিভাগৰ কোনো ডায়েৰী ফাৰ্ম নাই।

(খ)— প্ৰশ্ন নুঠে।

(গ)— প্ৰশ্ন নুঠে।

(ঘ)— প্ৰশ্ন নুঠে।

শ্ৰীযোগেন গগৈ ঃ— অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে অসমত আগতে বহুত বিলাক ডায়েৰী ফাৰ্ম আছিল। সেইবিলাক হয়তো এতিয়া নাম বদলি কৰিব পাৰে। কিন্তু গাই গৰু পুহি গাখীৰ যে বিক্ৰী কৰি আছে সেই বিলাকৰ নাম কি?

শ্ৰীসমৰ ব্ৰহ্মচৌধুৰী (মন্ত্ৰী)ঃ— মই কৈছোৱেই যে অসমৰ চৰকাৰৰ এই ধৰণৰ কোনো ডায়েৰী ফাৰ্ম নাই।

শ্ৰীবীৰেশ মিশ্ৰ ঃ— এইবিলাক কোন বিভাগৰ তলত আছে?

শ্ৰীসমৰ ব্ৰহ্মচৌধুৰী (মন্ত্ৰী)ঃ— দৰাচলতে চৰকাৰৰ কোনো ডায়েৰী ফাৰ্ম

নাই। ব্যক্তিগত ভাবে থাকিব পাৰে।

শ্ৰীমুকুট শৰ্ম্মা :— নগাওঁৰ বৰহমপুৰত থকা ফাৰ্ম খনৰ নাম কি আৰু কাৰ হাতত আছে ?

শ্ৰীসমৰ ব্ৰহ্মচৌধুৰী (মন্ত্ৰী) :— সেইখন লাইফ্ষ্টক ফাৰ্ম।

শ্ৰীজ্ঞান গগৈ :— অসম চৰকাৰে ব্যক্তিগত মানুহক অনুদান দি ডায়েৰী ফাৰ্ম কৰিছে নেকি আৰু যদি কৰিছে এনেকুৱা ফাৰ্ম কিমান খন আছে ?

শ্ৰীসমৰ ব্ৰহ্মচৌধুৰী (মন্ত্ৰী) :— এইটো বেলেগ প্ৰশ্ন। ইয়াৰ কাৰণে চৰকাৰৰ ফালৰ পৰা ঋণ দিয়া হয়।

শ্ৰীগোলোক ৰাজবংশী :— প্ৰশ্নটোত আছে অসমত কিমান খন ডায়েৰী ফাৰ্ম আছে ? ইয়াত চৰকাৰ বা বিভাগৰ কথা নাই। সেই হিচাবে মন্ত্ৰী মহোদয়ে কিয় উত্তৰ দিব নোৱাৰে ?

শ্ৰীসমৰ ব্ৰহ্মচৌধুৰী ( মন্ত্ৰী ) : - মাননীয় সদস্য ৰাজবংশী ডাঙৰীয়াই কৈছে যে অসমত কিমান খন ডায়েৰী ফাৰ্ম আছে, প্ৰশ্নত আছে......

শ্ৰীপ্ৰমোদ গগৈ :— (ক) প্ৰশ্নত কৈছে যে অসমত কিমান খন ডায়েৰী ফাৰ্ম আছে আৰু ক'ত ক'ত আছে। তেখেতে কৈছে নাই বুলি। এইটো কেতিয়াও সত্য হব নোৱাৰে।

Shri Altaf Hossain Mazumdar :— Mr. Speaker, Sir, let the Minister not take refuse on technicalities. If the information is not available let them clearly say it will be furnished later.

Shri Samar Brahma Choudhury, (Minister)— This question does not arise because these dairy farms, if anybody has, they are not connected with the Govt. or the Department; so it is not possible on the part of the Govt. to give fule information about if.

( Interruptions )

শ্ৰীযোগেন গগৈ :— এই ডায়েৰী ফাৰ্ম সমূহক চৰকাৰে ঋণ দিয়াৰ ব্যৱস্থা কৰিছে নেকি ? আৰু যদি কৰিছে কিমান খনক ঋণ দিয়া হৈছে ?

শ্ৰীসমৰ ব্ৰহ্মচৌধুৰী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে ভেটেৰিনাৰী বিভাগৰ তলত কোনো ডায়েৰী ফাৰ্ম নাই।

শ্ৰীগোলোক ৰাজবংশী :— বিভাগৰ কথা ইয়াত উল্লেখ কৰাই নাই।

শ্ৰীসমৰ ব্ৰহ্মচৌধুৰী (মন্ত্ৰী) :— মই কৈছো যে এই বিভাগত কোনো ডায়েৰী ফাৰ্ম নাই।

Shri Promode Gogoi :- On a point of order, Sir. As per our Rule the Govt. should furnish the exact information as required by the questioner. In this particular context the question was "অসমত কিমানখন ডায়েৰী ফাৰ্ম আছে আৰু এই ফাৰ্ম সমূহ ক'ত ক'ত আছে"। গতিকে The question was whether there was any dairy farm in the State and if so exact location of the farm. Therefore, the question was very

specific and the Minister should give the reply if there is any dairy farm in the State. Therefore, Mr. Speaker, Sir, whether the farm was under the Department or not that was not the question. So, Mr. Speaker, Sir, I want to know from your honour whether the reply furnished by the Minister is as per our Rule.

Shri Dulal Chandra Barua (Minister):— Sir, it cannot be a point of order. This question was asked to a particular Minister in-charge of particular Department. Therefore, he is responsible for a particular Department and in his Deparment there is no dairy farm. Therefore, the reply is nogative. So there cannot be any point of order.

(Interruptions)

Shri Promode Gogoi:— Sir, I have raised a point of order and the ruling will have to be given by you and not by the Minister. The Speaker is the competent person to give the ruling and not the Minister; he has no right.

Mr. Speaker:— I am yet to give the ruling but I have to listen.

Shri Dulal Chandra Barua (Minister):— Sir, I have

got the right to submit to you on behalf of the Government. Therefore, the question of raising hue and cry does arise I do not know why they are making hue and cry. My right to submit is derived from the House and you are here to decide. I have got the right to submit before you and you are here to decide things.

Shri Altaf Hossain Majumdar :— Sir, I have a point of order.

Mr. Speaker :— The earlier point of order must be decided first.

Shri Altaf Hossain Majumder :— Sir, it would be a dangerous proposition to say that as the department dose not own any dairy farm in the State, the Govenment is not going to give any information. If this analogy is accepted, then tomorrow, the Industries Minister may say that he will not say anything about the other industries being run in the State of Assam. Sir, the next point is there is a Veterinary department and the staff of this office is paid from the public exchequer ; right from the Minister down to the Chaprasi, they are paid from the public exchequer ; there is Dairy Development officer and Director ;

what they are doing? If they cannot say whether there are dairy farms in Assam, let the deparment go to hell.

Shri Sarat Chandra Sinha :— Sir, it is very disgraceful to deviate in this manner. The question was specific and the answer must be given in a specific manner. The Government cannot shirk its responsibility in this specific question.

( noise.......... )

শ্ৰীচামচুল হুদা :— মন্ত্ৰী গৰাকীয়ে উত্তৰত জনাইছে যে, অসম চৰকাৰৰ দায়েৰী ফাৰ্ম নাই। এই বিষয়টো অইন চৰকাৰে পৰিচালনা কৰি আছে নেকি? আমাৰ ইয়াত থকা পশু চিকিৎসা বিভাগত ইয়াত কোনো কৰ্ত্তৃত্ব নাই নেকি? এই বিভাগত ডিৰেক্টৰেট নাই নেকি? তেন্তে এই বিভাগটোৰ কি আৱশ্যক আছে?

মিষ্টাৰ স্পীকাৰ :— মাননীয় সদস্য সকলে যিবিলাক পইণ্ট অব অৰ্ডাৰ ৰেইজ কৰিছে সেই বিলাক শুনিলো। ইয়াত ইনটেন্সচনেল কথা নাই, কিবা এটা মিচ্ আন্দাৰষ্টেন্দিং হৈছে, প্ৰশ্নটোৰ উত্তৰ টু দি পইণ্ট হোৱা নাই।

Therefore, it appears to me that it is not intentional; there must be some misunderstanding as said earlier. and the Government says, that the department has not got dairy farm. In that way there is some scope for misunderstan-

ding. This sort of misunderstanding should not continew in future. The Minister may have further clarification on this and in that case I keep it pending.

শ্ৰীবীৰেশ মিশ্ৰ ঃ— অধ্যক্ষ মহোদয়..............

Mr. Speaker : - I have heard all of you ; I want to go to the next question.

Shri Golak Chandra Rajbongsi :— I bring a breach of privilege here.

( noise......... )

Mr. Speaker :— You can give me notice if you want.

Shri Golak Chandra Rajbonsi :— Sir, it is in the very face of the House. Sir in the Governor's address, he said that there are dairy farms in the State and the Minister now has denied.

( noise...... )

Mr. Speaker :— Order, order, I am not allowing you.

বিষয় ঃ অসমৰ গাওঁ অঞ্চল অৰ্থনৈতিক আঁচনিৰে পুনৰ গঠন কৰাৰ আঁচনি

শ্ৰীৰবীন্দ্ৰ নাথ মালাকৰে সুধিছে ঃ

* ৮৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ গাওঁ অঞ্চল আধুনিক বিজ্ঞান সন্মত অৰ্থনৈতিক আঁচনিৰে পুনৰ গঠন কৰিবলৈ কিবা আঁচনি আমাৰ চৰকাৰৰ হাতত আছে নেকি ?

(খ) আধুনিক অৰ্থনৈতিক আঁচনিৰে গাওঁৰ খেতি আৰু উদ্যোগ গঢ়ি তোলাৰ আঁচনি আমাৰ চৰকাৰে লব নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰীয়ে) য়ে উত্তৰ দিছে :

৮৩। (ক)— হয়। আমাৰ গাওঁ অঞ্চলৰ অৰ্থনৈতিক আঁচনিৰে পুনৰ গঠন কৰিবলৈ আমাৰ পঞ্চবাষিক পৰিকল্পনা অন্তৰ্গত বাৰ্ষিক পৰিকল্পনাসমূহত তেনেকুৱা আঁচনি আছে। ১৯৭৮-৭৯ চনৰ পৰা গাওঁ উন্নয়নৰ বাবে নিৰ্দ্ধাৰিত লক্ষ্যত আগবাঢ়িবলৈ বিশেষ গুৰুত্ব দিয়া হৈছে।

(খ)— কৃষি আৰু শিল্পৰ বিজ্ঞান সন্মত উন্নয়নৰ বাবদ তেনে আঁচনি পৰিকল্পনাসমূহৰ অন্তৰ্ভুক্ত কৰা হৈছে।

শ্ৰীইব্ৰাহিম আলি :— অধ্যক্ষ মহোদয়, এই আচনিত কিমান খন গাওঁ অন্তভুক্ত কৰিবলৈ বাচি লোৱা হৈছে। মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— ঘৰ উন্নয়নৰ আৰু বিভিন্ন শিতানত কৃষি জলসিঞ্চন, সমবায় চেৰিকালচাৰেল উইভিঙ আৰু গাওঁৰ ৰাস্তাঘাট বন্ধা আচঁনি বিলাক লোৱা হৈছে। তাৰোপৰি আই, আৰ, এচ স্কীম ৫৪ টা ব্লকত কৰিবলৈ সিধান্ত কৰা হৈছে। তাৰ ভিতৰত ৩৯ টা ব্লকত এচ, এ, টি, দি জৰিয়তে, আৰু সেইবিলাকত ৫ লাখ টকা

মঞ্জুৰ কৰা হৈছে আৰু বাকী কেইটাত ৩ লাখ টকা মঞ্জুৰ কৰা হৈছে। যাতে গাওঁৰ তেনে দুখীয়া মানুহৰ তৰফৰ পৰা উপাৰ্জন কৰি আত্ম নিৰ্ভৰশীল হবলৈ সুবিধা পাব পাৰে সেইবিলাকত কৃষি খণ্ডত অতি কমেও প্ৰতিখন গাওঁত ৫ জনকৈ দুখীয়া মানুহ বাচি লোৱা হব। ঠিক তেনেকৈয়ে খাদী গ্ৰাম্য উদ্যোগত ২৫ লাখ টকা ধাৰ্য্য কৰা হৈছে। তাৰ পিচত প্ৰায় এক কোটি ৬ লাখ ২০ হেজাৰ টকা ধাৰ্য্য কৰা হৈছে। যাতে খাদী গ্ৰাম্য উদ্যোগৰ যোগেদি গাওঁৰ অঞ্চলৰ মানুহে উপাৰ্জন কৰি কামকাজ কিছু পায়, আৰু চেৰিকালচাৰেল উইভিঙটো কামৰ পৰিসৰ বঢ়াবলৈ আঁচনি লোৱা হৈছে।

শ্ৰীহেমেন দাস :— মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যে, অসমৰ গাওঁ অঞ্চলত থলুৱা কেচা মালৰ ভিত্তিত কি কি উদ্যোগ গঢ়ি তোলাৰ আঁচনি চৰকাৰে গ্ৰহন কৰিছে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— এই বিষয়ে আমাৰ উদ্যোগ বিভাগে ইতিমধ্যে আঁচনি প্ৰস্তুত কৰিছে। যাতে নানা ধৰণৰ সৰু-সুৰা উদ্যোগ বিভিন্ন জিলাত গঢ়ি তুলিব পৰা যায়।

শ্ৰীহেমেন দাস :— মই প্ৰশ্নটোৰ উত্তৰত সন্তোষ্ট হব নোৱাৰিলো। মোৰ প্ৰশ্ন আছিল থলুৱা কেচা মালৰ ভিত্তিত কি কি উদ্যোগ গঢ়ি তুলিবলৈ চৰকাৰে পৰিকল্পনা লৈছে।

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— থলুৱা কেচা মালৰ ভিত্তিত ৰাইচ মিলৰ, কাঠৰ, বেত, বাহ আৰু বিভিন্ন সা-সজুলীৰ ওপৰত, হাতে কৰা কামৰ ওপৰত ব্যৱস্থা লোৱা হৈছে। তাৰোপৰি বিশেষকৈ বঙাই গাৱৰ প্ৰকল্পৰ পৰা যিবিলাক বস্তু তৈয়াৰ হব পলিষ্টাৰ

ফাইবাৰ ওপৰত কাৰখানা কৰিবলৈ লোৱা হৈছে। তাবোপৰি সমবায় ফালৰ পৰা কেবাটাও চেনি উদ্যোগৰ আচঁনি লোৱা হৈছে।

শ্ৰীপ্ৰেম বৰা :— অধ্যক্ষ মহোদয়, অসমৰ গাওঁ অঞ্চলত অৰ্থনৈতিক আচঁনি পুনৰ গঠন কৰাৰ বাবে ৰাজ্যিক ভিত্তিত সামগ্ৰীক ভাৱে এখন আচঁনি যুগুত কৰি পৰিকল্পনাত গুৰুত্ব দিয়া হৈছে নে টুকুৰা টুকুৰকৈ ব্যৱস্থা কৰা হৈছে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— প্ৰতি বছৰে কিছু কিছু ব্লকত কাম লোৱা হৈছে। আৰু সেই কাৰণে কামৰ পৰিসৰ বাঢ়ি গৈ আছে।

শ্ৰীবানেশ্বৰ শইকীয়া :— মাননীয় অধ্যক্ষ মহোদয়, অসমত মৰাপাটৰ ঠাৰি আৰু ধানৰ নৰাৰ পৰা কাগজ প্ৰস্তুত কৰাৰ কাৰণে আজি ৫ বছৰ মান ধৰি চিঙত এটা কাগজৰ কল স্থাপনৰ কাৰণে চৰকাৰে আচনি লৈছিল। সেই আচনি খন কিমান দিনৰ ভিতৰত কাৰ্য্য-কৰি কৰাৰ ব্যৱস্থা চৰকাৰে হাতত লব ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— সেইটোৰ কাৰণে বেলেগ প্ৰশ্নৰ আৱশ্যক।

Shri Baneswar Saikia :— This is a very pertinent and relevant question relating to the development of rural areas on the basis of indigenous raw materials. Paddy straw and Jutesticks are indigenous raw materials and the scheme is also relevant to the development of the rural areas. Therefore, Sir, I do not think a separate question is necessary.

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— মই যিখিনি জানো আৰু কব পাৰো যে এই বিষয়ত পৰীক্ষা নিৰীক্ষা কৰি চাই বিশেষ লাভজনক নহব

বুলি ধৰা হৈছিল। তথাপি আমি আকৌ এই বিষয়ত আলোচনা কৰি আছো।

শ্ৰীনুৰুল হুদা ঃ— স্যার, আমি মুখ্যমন্ত্ৰী মহাশয়ের নিকট থেকে জানতে চাই যে রাজ্য সরকার কি একথা মনে করেণ যে প্রকৃত ভুমি সংস্কার করে গ্রামের গরীব জনসাধারনের হাতে জমি দিয়ে তাদের অর্থনৈতিক উন্নতি করার যে বিজ্ঞান সম্মত পদ্ধতি তা কার্যকারী করা সম্ভব হবে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— ভুমি সংস্কাৰৰ আৱশ্যকতা নিতান্তই অনুভব কৰো আৰু ভুমিহীন সকলে যাতে মাটি পায় তাৰ কাৰণে কাম কৰিবলৈ লৈছো। এইটো কথা ঠিক যে সকলোবিলাক ভুমিহীন মানুহক মাটি দিয়াটো কোনো চৰকাৰৰ পক্ষে সম্ভৱ নহব। গতিকে যিসকল ভুমিহীন হৈ থাকিব তেওঁলোকক স্বাবলম্বী কৰাৰ কাৰণে আন ৰকমৰ ব্যৱস্থা কৰিব লাগিব।

শ্ৰীযোগেন গগৈ ঃ— সকলো দিশৰ কথা বিবেচনা কৰাৰ পিচত অসমৰ প্ৰাপ্তন মুখ্যমন্ত্ৰীয়ে শিৱসাগৰত এটা টেক্সটাইল মিল বহুৱা হব বুলি আশ্বাস দিছিল। এই সন্দৰ্ভত বৰ্ত্তমানৰ মুখ্যমন্ত্ৰীয়ে কিবা জানে নেকি? যদি জানে তেনেকুৱা আঁচনি প্ৰস্তুত কৰিছে নেকি?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— ইয়াৰ বেলেগ নোটিচ লাগিব।

শ্ৰীপদ্মলোচন বড়ো ঃ— ব্লকত ৫ লাখ টকা দিয়া হৈছিল। বিশ্বব্যাংকৰ পৰা ঋণ দিছিল। এই ৫ লাখ টকা খৰচ কৰাৰ সময় নিৰ্দ্ধাৰণ কৰি দিয়া হৈছে নেকি?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— নিৰ্দ্দিষ্ট কিছুমান ব্লকত লোৱা হৈছে।

সেইবিলাকত ৰাজ্যিক চৰকাৰৰ তৰফৰ পৰা অংশ দি কাম কৰিবলৈ লোৱা হৈছে। বিভিন্ন ঠাইত বেংক বিলাকৰ পৰা গাওঁ উন্নয়নৰ বাবে অনুদান দিয়াৰ ব্যৱস্থা আছে।

**বিষয় ঃ চৰ অঞ্চলত পৰিদৰ্শণ বঙলা বা ৰেষ্ট হাউচ সজাৰ ব্যৱস্থা**

শ্ৰীএম, ইব্ৰাহিম আলিয়ে সুধিছে ঃ

* ৮৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ দুৰ্গম চৰ অঞ্চল আৰু অতি পিচ পৰা ঠাইৰ প্ৰশাসন আৰু উন্নয়নমুলক কাম-কাজ নিয়াৰিকৈ চলাবলৈ ঠায়ে ঠায়ে বঙলা আৰু ৰেষ্ট হাউচ তৈয়াৰ কৰাৰ আৱশ্যকতা চৰকাৰে উপলব্ধি কৰেনে ?

(খ) যদি কৰে, তেন্তে বৰপেটা মহকুমাৰ দক্ষিণ পশ্চিমৰ বিশাল আৰু অনুন্নত চৰ এলেকাৰ আলুপতি চৰ, কদমতলা চৰ আৰু উজিৰৰ চৰত তিনিটা সৰু সৰু বঙলা তৈয়াৰ কৰিবৰ বাবে চৰকাৰে শীঘ্ৰেই সিদ্ধান্ত লবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৮৪। (ক)— বৰ্ত্তমান চৰ অঞ্চলত P. W. D. ৰ ৰাস্তা নাই; সেয়েহে সেই অঞ্চলত কোনো পৰিদৰ্শন বঙলা বা ৰেষ্ট হাউচৰ আৱশ্যকতা সদ্যহতে উপলব্ধি কৰা নাই। তথাপি ভৱিষ্যতে চৰ অঞ্চলত ৰাস্তাৰ আঁচনি হাতত ললে সেইবোৰ অঞ্চলত

পৰিদৰ্শন বঙলা বা ৰেষ্ট হাউচ সজাৰ কথা পৰীক্ষা কৰি চোৱা হব।

(খ)— উপৰোক্ত উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন হুঠে।

শ্ৰীইব্ৰাহিম আলি :— চৰ অঞ্চলৰ প্ৰশাসনিক বিষয়া, বাজহ বিষয়া সকল কত থাকে?

শ্ৰীদুলাল বৰুৱা (মন্ত্ৰী) :— ভেওঁলোক টাউনত থাকে, চৰত নাথাকে।

শ্ৰীফনী মেধি :— চৰ অঞ্চলত কোনো গড়কাপ্তানী ৰাস্তা নাই। কামৰূপ, গোৱালপাৰাৰ উত্তৰ পাৰৰ বিস্তীৰ্ণ অঞ্চলটোত ৮০ হাজাৰ মানুহ বাস কৰে। জনতা চৰকাৰে আধুনিক জগতৰ লগত এই চৰ অঞ্চল বিলাক যোগাযোগ কৰাৰ কাৰণে গড়কাপ্তানী ৰাস্তা তৈয়াৰ কৰাৰ কাৰণে আচনি লবনে?

শ্ৰীদুলাল বৰুৱা (মন্ত্ৰী) :— আমি ইতিমধ্যে চাৰ্ভে কৰিবলৈ দিছো। যিহেতু চৰ অঞ্চলত বালি বেছি সেই কাৰণে তাত ৰাস্তা পদূলি বন্ধাত অসুবিধা আছে। বাৰিষা বতৰত অহা যোৱা কৰিবৰ কাৰণে অহা বছৰত যিমানখিনি পাৰো ব্যৱস্থা কৰিম।

শ্ৰীহেমন দাস :— মন্ত্ৰী ডাঙৰীয়াই কৈছে যে চব অঞ্চলত বালি আছে। বালি নোহোৱা পলসুৱা মাটিও আছে। সেই বিলাকত ৰাস্তা নিৰ্ম্মানৰ সম্ভাৱনা আছে। মাথোন সদ ইচ্ছাৰ অভাৱত ৰাস্তা নিৰ্ম্মান হোৱা নাই। এই বিষয়ত চৰকাৰে চেষ্টা কৰিব নে?

শ্ৰীদুলাল বৰুৱা (মন্ত্ৰী) :— ইতিমধ্যে চাৰ্ভে আৰম্ভ হৈছে। অহা বছৰত এই অঞ্চল বিলাক সংযোগ কৰাৰ ব্যৱস্থা কৰা হব।

শ্ৰী ভুৱনেশ্বৰ বৰ্ম্মন :— নগালেণ্ড বৰ্ডাৰত যেনেকৈ নতুন ৰাস্তা কৰিবলৈ লৈছে ঠিক তেনেকৈ চৰ আৰু ভুটানৰ সীমান্তবৰ্ত্তী অলঞ্চত ৰাস্তা উন্নয়নৰ ব্যৱস্থা লব নে ?

শ্ৰীহুলাল বৰুৱা ( মন্ত্ৰী ) :— চৰ অঞ্চলৰ সকলো বিলাক কথা পৰীক্ষা নিৰিক্ষা কৰি চোৱা হৈছে। বাকী বৰ্ডাৰ অঞ্চলৰ ৰাস্তা পহুলিৰ সংক্ৰান্তত এন, ই, চিত বৰ্ডাৰ ৰোদ কৰি সংলগ্ন কৰাৰ বন্দবস্ত কৰা হৈছে। তাৰে কিছু আচনি সম্পুৰ্ণ হৈছে আৰু কিছু বাকী আছে।

## বিষয় : খৰখৰী নদীৰ উত্তৰ পাৰৰ যাতায়াত

শ্ৰীউমেশ চন্দ্ৰ দাসে সুধিছে :

* ৮৫। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বকো সমষ্টিৰ মাজেৰে যোৱা খৰখৰি নদীৰ উত্তৰ পাৰে থকা প্ৰায় দুই লাখ মানুহৰ যাতায়তৰ বাবে সা-সুবিধা নথকা কথা চৰকাৰে জানেনে ?

(খ) চৰ অঞ্চলত থকা এই মানুহবোৰে গুৱাহাটীলৈ আহিব লাগিলে ১০/১৫ মাইল খোজ কাঢ়িহে মটৰত উঠিব লাগে বুলিও চৰকাৰে জানেনে ?

(গ) যদি জানে তেন্তে এই পিচপৰা অঞ্চলৰ প্ৰায় দুই লাখ মানুহৰ যাতায়তৰ কথা চিন্তা কৰি অন্তত: চাৰিখন চৰকাৰী বাছ সোন-তলীৰ পৰা গুৱাহাটীলৈ চলাচলৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীজহিৰুল ইছলাম ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৮৫। (ক) আৰু (খ)— হয়। খৰখৰি নদীৰ উত্তৰ পাৰে যাত্ৰী বাহনৰ বৰ্ত্তমান সুবিধা নথকা কথাটো সত্য।

(গ)— উত্তৰ চমৰীয়াৰ পৰা সোনতলীলৈ যোৱা ৰাস্তাটো বৰ্ত্তমান বাচ চলাচলৰ উপযোগী নহয়। তাৰোপৰি খৰখৰি নৈৰ ওপৰত কোনো দলং নাই। এই পথটোত বাচ চলাচল কৰাৰ উপ-যোগী হলে এই বিষয়টো বিবেচনা কৰা হব।

শ্ৰীউমেশ দাস ঃ— এই ৰাস্তাটো গড়কাপ্তানীৰ ৰাস্তা কৰিলে বাচ চলাচলৰ সুবিধা হয়। খৰখৰী নদীৰ ওপৰত দলং দিলে আৰু সুবিধা হয়। চমৰীয়াত উক্ত ফেৰীৰ ব্যৱস্থা কৰিলে যাতায়তৰ সুবিধা হয়। ৰাইজৰ প্ৰতি লক্ষ্য ৰাখি ফেৰীৰে পাৰ কৰি হলেও বাণিজ্যিক বাছ চলাচল কৰাৰ সুবিধা কৰি দিব নে?

শ্ৰীজহিৰুল ইছলাম (মন্ত্ৰী) ঃ— ডেৰ লক্ষ মানুহৰ যাতায়তৰ অসুবিধা হৈছে তাত সন্দেহ নাই। ইতিমধ্যে খৰখৰী নদীৰ ওপৰত দলং নথকাৰ কাৰণে অসুবিধা হৈছে। গড়কাপ্তানী বিভাগে সৰু ফেৰীৰ ঠাইত ডাঙৰ ফেৰীৰ ব্যৱস্থা কৰিবলৈ লৈছে। গতিকে ফেৰীৰ সহায়ত নিশ্চয় বাছ চলাচল কৰাৰ ব্যৱস্থা কৰা হব।

বিষয়া ঃ নগাওঁ শিয়ালমাৰি-বৰজহা-দক্ষিণপাট-বৰকলা পথ

শ্ৰীমুকুট শৰ্ম্মাই সুধিছে ঃ

* ৮৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এই কথা সচাঁনে যে, নগাওঁ জিলাৰ বৰকলা গাওঁৰ ৰাইজে কেন্দ্ৰীয় কৃষি মন্ত্ৰী বৰকলা গাওঁলৈ যাওঁতে সেই অঞ্চলৰ নগাওঁ শিয়ালমাৰি-বৰগুহা-দক্ষিণপাট-বৰকলা পথটি গড়কাপ্তানী বিভাগে লব লাগে বুলি অনুৰোধ জনাই এখনি স্মাৰক পত্ৰ প্ৰদান কৰিছিল ?

(খ) উক্ত স্মাৰক পত্ৰ কেন্দ্ৰীয় মন্ত্ৰীয়ে বিহিত ব্যৱস্থা লবৰ কাৰণে অসম চৰকাৰলৈ প্ৰেৰণ কৰিছিল নেকি ?

(গ) যদি কৰিছে এই সম্পৰ্কে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৮৬। (ক)— এই বিষয়ত মাননীয় কৃষি মন্ত্ৰী শ্ৰীসোনেশ্বৰ বৰাদেৱৰ এটি টোকা পোৱা হৈছে।

(খ)— মূল স্মাৰক পত্ৰ কেন্দ্ৰীয় মন্ত্ৰীৰ পৰা এতিয়াও এই বিভাগত পোৱা নাই।

(গ)— এই বিভাগে মূল স্মাৰক পত্ৰ পোৱা নাই যদিও কৃষি মন্ত্ৰী শ্ৰীবৰাদেৱৰ টোকাৰ ওপৰত ভিত্তি কৰিয়েই প্ৰাৰম্ভিক ব্যৱস্থা হিচাবে প্ৰস্তাৱিত ৰাস্তাৰ দৈৰ্ঘ্য সম্ভাব্য টকাৰ পৰিমাণ আৰু অন্যান্য তথ্যাদি সংগ্ৰহ কৰাৰ কাৰণে ব্যৱস্থা লৈছে।

Re : Application of Assam Urban Areas Rent Control Act, 1972

Shri M: Ibrahim Ali asked :

* 87. Will the Minster, Revenue be pleased to state—

(a) Whether there is an Urban Rent Contral Act of Assam ?

(b) If so, whether the provisions of the Act have been applied to the Urban areas and towns of Assam including the Gauhati City ?

(c) Whether the Government is aware that the persons living in the urban areas and towns have been subjected to undue harassment by the owners of the rented houses ?

(d) If so, will Government take appropriate steps for the Urban Rent Control Act ?

(e) If not, why ?

Shri Lakheswar Gohain ( Minister, Revenue ) replied :

87. (a)— Yes.

(b)— Yes.

(c)— As per provision of the. Assam Urban Areas

Rent Control Act, 1972, all disputes are to be settled in the Court of ordinary civil jurisdiction and are not referred to Government. Hence no such representations allegations by the aggrived persons have been brought to the notice of Government.

(d) & (e) — Does not arise.

Undisposed Starred Questions dated 2-3-79.

**বিষয় ঃ নগাঁও-শিলঘাট ৰেল লাইন**

শ্ৰীযুকুট শৰ্মাই সুধিছে ঃ

* ৮৮। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নগাঁও-শিলঘাট ৰেল লাইনটোৰ অৱস্থা অসম চৰকাৰে জানেনে ?

(খ) যদি জানে, এই লাইনটোৰ উন্নতি কৰিবৰ কাৰণে অসম চৰকাৰে কেন্দ্ৰীয় ৰেল মন্ত্ৰনালয়ৰ লগত যোগাযোগ কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীজহিৰুল ইচলাম ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৮৮। (ক) — হয়, জানে।

(খ) — ইতিমধ্যে কেন্দ্ৰীয় ৰেল মন্ত্ৰীক এই ৰেল পথটো জাতীয়কৰণ কৰিবৰ বাবে স্মাৰক পত্ৰৰ যোগেদি জনোৱা হৈছে।

Re : Construction of a Stadium at Barpeta Town

Shri M. Ibrahim Ali asked :

* 89. Will the Minister, Sports be pleased to state—

(a) Whether the Government is aware of the proposal for construction of a Stadium at Barpeta Town ?

(b) If so, when the Stadium will be built ?

(c) If not, the reason thereof ?

Shri Keshab Chandra Gogoi ( Minister, Sports ) replied :

89. (a) — Yes, a proposal for a Stadium at Barpeta has been received from the State Soprts Council.

(b) — As soon as funds are arranged.

(c) — Does ont arise.

UNSTARRED QUESTION AND ANSWERS

Date : 2nd March, 1979

( To which answers were laid on the Table )

— — —

বিষয় ঃ পৌর সভা ও নগর কমিটি

শ্রীরমেন্দ্র দে জিজ্ঞাসা করিয়াছেন ঃ

৬। মাননীয় পৌর প্রশাসন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করে জানাবেন কি—

(ক) আসামে কতটি পৌর সভা এবং পৌর কমিটি আছে ?

(খ) কোন কোনটিতে নির্ব্বাচিত কমিটি আছে এবং কোন কোনটিতে নির্ব্বাচিত কমিটি নেই ?

(গ) প্রত্যেকটি পৌর কমিটি ও পৌর সভাতে নির্ব্বাচিত কমিটি নাথাকার কারণ কি ?

(ঘ) বদরপুর টাউন কমিটিতে নির্ব্বাচন না হওয়ার কারণ কি ?

(ঙ) সরকার নির্ব্বাচন করতে প্রস্তুত আছেনাকি ?

(চ) এলাকা delimitation এবং voter list তৈয়ার কাজ শেষ হয়ে গেছে কি ?

(ছ) বদরপুর পৌর কমিটির নির্ব্বাচন কবে পর্য্যন্ত হতে পারে ?

শ্রীজহিরুল ইসলাম (পৌর প্রশাসন বিভাগের মন্ত্রী) য়ে উত্তর দিয়েছেন ঃ

৬। (ক) — আসামে সর্ব্বমুঠ ২৩ খানা পৌর সভা ও ৩৮ খানা নগৰ সমিটি আছে। (অসমত সর্ব্বমুঠ ২৩ খন পৌৰ সভা আৰু ৩৮ খন নগৰ সমিতি আছে)।

(খ) ও (গ)—তথ্যাদি সহ একখানা তালিকা সদনের টেবিলের উপর রাখা হইয়াছে।

(তথ্যাদিসহ এখন তালিকা মাননীয় সদস্যৰ টেবুলৰ ওপৰত ৰখা হৈছে)।

(ঘ) — নগর সমিটির সীমার ভুল-ভ্রান্তি থাকার জন্য নির্ব্বাচনের ব্যবস্থা করা সম্ভব হয় নাই।

(নগৰ কমিটিৰ সীমাৰ গণ্ডগোল থকাৰ কাৰণে নির্ব্বচনৰ ব্যৱস্থা কৰা সম্ভৱ হোৱা নাই)।

(ঙ) — হাঁ।

(হয়)।

(চ) — না।

(হোৱা নাই)।

(ছ) — সীমা নির্দ্ধারণের কাজ সম্পূর্ণ হইলেই নির্ব্বাচনের ব্যবস্থা নেওয়া হইবে।

(সীমা নির্দ্ধাৰণৰ কাম সম্পূর্ণ হলেই নির্ব্বাচনৰ ব্যৱস্থা লোৱা হব)।

## MISCELLANEOUS

শ্রীবীরেশ মিশ্র :— অধ্যক্ষ মহোদয়, 'প্রশ্ন' সম্পর্কে আমি আপনার মাধ্যমে সরকারের দৃষ্টি আকর্ষন করতে চাই। আমি ব্যক্তিগত ভাবে ৩৫ টা প্রশ্ন এই সেশসনে যথা সময়ে দিয়েছিলাম। কিন্তু অত্যন্ত দুঃখের সঙ্গে আমি জানাচ্ছি যে আমাদের এই বাজেট সেশনে আজ পর্য্যন্ত একটাও জবাব প্রশ্নের এখনো আসেনি। তাই,

আমি সংশ্লিষ্ট মন্ত্রী মহোদয়গণকে বলতে চাই যে হয়ত আমার প্রশ্নের উত্তর দিতে তাদের অসুবিধা হতে পারে। কিন্তু একটা হ্যা বা না এই জবাব আমরা আশকরি। গত সেশনেও আমি ৪২ টা প্রশ্ন দিয়েছিলাম, তারমধ্যে মাত্র ৪ টা প্রশ্নের উত্তর আমি পেয়েছিলাম। আমি এবারও এগুলি রিপিট করেছি। সুতরাং আমি জানতে চাই কেন আমার প্রশ্ন গুলির উত্তর আসেনি ?

Mr. Speaker :— The honourable member met me at my Chamber. I have drawn the attention of the Parliamentary Affairs Minister on this. We have decided to have a discussion with Chief Minister, Minister, Parliamentary Affairs and honourable member himself on this.

## OBITUARY REFERENCE

Shri Ibrahim Ali :— Sir, St. Q. 87 should be kept pending.

Mr. Speaker :— Alright it is kept pending for supplementary. Now, Honourable Members, it is my unpleasant duty to inform the House of the sad demise of Shri Jairamdas Doulatram, former Governor of Assam.

Shri Jairamdas Doultram was born on 21st

July 1891. He was a prominent Congress Leader and sufferred imprisonment several times for participating in Gandhiji's Satyagraha Movement in 1919, Non-co-operation Movement in 1920-21 and Quit India Movement in 1942-45. He was a member of Bombay Legislative Council from 1927-29 and member of the Congress Working Committee from 1929 to 40. From 1948-50 he was a Minister of Food and Agriculture, Govt. of India. He became the Governor of Assam on 27th May, 1950 and continued as such till 15th May, 1956. He was also a member of Indian Parliament in 1959 and one time Govrnor of Bihar. He was alsoa Journalist of repute. From 1925-26 he was an Editor of Hindustan Time and Ganghiji's Young India' in 1930. This prominent National Leader and former Governor Assam passed away on 28th February, 1979.

We deeply mourn the loss of the Great National Leader and I am sure the House will joint me in conveying our condolence to the member of the bereaved family.

The House may stand in silence for one minute and pray for the eternal peace of the departed soul.

Now, item No. 3. on 1 st March, on the Debate on Governor's Adress 11 members participated. Shri Tanti will resume his speech.

## DEBATE ON THE GOVERNOR'S ADDRESS

শ্ৰীদিলেশ্বৰ তাঁতী :— অধ্যক্ষ মহোদয়, মই যোৱা কালি চাহ মজদুৰ সকলৰ বিভিন্ন সমস্যাৰ বিষয়ে কৈ আছিলো। চাহ মজদুৰ সকলৰ সামাজিক অৱস্থা অতি দুখলগা। তেওঁলোকৰ সামাজিক অৱস্থাত যিবিলাক নিয়ম আছে এই সকলোবিলাকৰ ব্যৱস্থা অতি কু-সংস্কাৰৰ ওপৰত ভিত্তি কৰি কৰা। চাহ মজদুৰ সকলৰ এনেকুৱা ব্যৱস্থা যে, জন্ম, মৃত্যু, বিবাহ আদি যি কোনো কামতেই মদৰ ব্যৱহাৰ চলে, ইয়াৰো পৰি জুৱা খেলা, কুকুৰা আদি বিভিন্ন ধৰণৰ নিয়ম চলি আছে। এই দৰে বাগিছা বিলাকত ভাল পৰিবেশ নোহোৱাৰ কাৰণে বিভিন্ন কু-সংস্কাৰে ঠাই পাইছে। আৰু এনে কিছুমান পৰিবেশৰ কাৰণেই আজি শিক্ষা ক্ষেত্ৰত আগবাঢ়ি যাব পৰা নাই। আমি আশা কৰিছিলো যে যোৱা ৩১ বছৰে আগৰ চৰকাৰে বাগিছাৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা লব, কিন্তু বাগিছাৰ কতৃপক্ষৰ ওপৰতহে কেৱল শিক্ষাৰ ব্যৱস্থা এৰি দিয়া হৈছে। আৰু সেইমতে বাগিছাৰ কতৃপক্ষই এল, পি স্কুল, দিয়াৰ বাহিৰে আৰু বিশেষ ব্যৱস্থা লব পৰা নাই। উচ্চ শিক্ষাৰ কোনো ব্যৱস্থা কৰিব পৰা নাই চাহ বাগিছাৰ মজদুৰ সকলৰ ক্ষেত্ৰত দাবী বোৰ সদায় উলাই কৰি অহা হৈছে। অধিক পিছপৰা শ্ৰেণীৰ ভিতৰত যদিও ধৰা হৈছে সেইমতে তেওঁলোকে বিশেষ সুবিধা পোৱা নাই। আজি চাহ মজদুৰৰ লৰাই উচ্চ পৰ্য্যায়ৰ

শিক্ষা বা টেকনিকেল শিক্ষা লবলৈ ভাল ব্যৱস্থা নাই। আজিৰ নিয়মমতে শতকৰা ৫০।৬০ নম্বৰ পালেহে ভাল কলেজ এখনত নাম লিখিব পৰা যায়। মেডিকেল কলেজ আন টেকনিকেল কলেজত প্ৰথম শ্ৰেনীৰ নহলে আসন নাপায়। তেনেকৈয়ে হলে আমাৰ চাহ মজদুৰ সকলৰ লৰা-ছোৱালীয়ে উচ্চশিক্ষা পোৱাৰ আশা কোনো দিনেই কৰিব নোৱাৰিব। কাৰণ চাহ মজদুৰ সকলৰ লৰা ছোৱালীয়ে যি পৰিস্থিতিৰ মাজেৰে পাৰ্ হৈ আছে তেওঁলোকে কোনোমতে পাচ কৰাৰ বাহিৰে বেছি আশা কৰিব নোৱাৰে। গতিকে মই ভাবো তেওঁলোকৰ কাৰণে এটা বেলেগ নিয়ম কৰি মেডিকেল কলেজ বা আন টেকনিকেল কলেজত আসন দিয়াৰ ব্যৱস্থা কৰিব লাগে। কাৰণ আন আন ছাত্ৰৰ লগত প্ৰতিযোগিতাত যদি নাম দিয়া হয় তেতিয়াহলে তেওঁলোকে কোনো দিনেই ভাল ফল আশা কৰিব নোৱাৰিব। তাৰ ওপৰিও মই আৰু এটা কথা কব খুজিছো যে এই চাহ মজদুৰ সকলক চিডিউল কাষ্ট বা চিডিউল ট্ৰাইবৰ ভিতৰত ধৰিব লাগে। এই চাহ মজদুৰ সকলৰ শিক্ষাৰ কাৰণে উপযুক্ত আচনি চৰকাৰে গ্ৰহণ কৰিব বুলি আশা ৰাখিলো। এই খিনিতে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker :-- Before the Hon'ble Member Shri Doley resumes his speech, I want to tell the House that we have only 20 minutes time in our hand according to the previous arrangement and during these 20 minutes as many as eight Hon'ble members will speak. Therefore, all the eight Hon'ble members will have to finish their speeches within 20 minutes.

Shri Md. Idris :— Mr. Speaker, sir, I beg to submit that to day is friday and after 11/30 a. m. it would not be proper to continue the sitting of the House because at 11/30 a. m. prayer time starts.

Mr. Speaker :— Therefore, Hon'ble Members are to adjaust within 20 minutes. Now, Shri Lakhya nath Doley.

শ্ৰীলক্ষ্য নাথ দলে :—মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যৰ নাগৰিক সকলৰ জীৱন নিৰাপত্তা দিয়াত ৰাজ্য চৰকাৰৰ শ্ৰেষ্ঠতম আৰু পৱিত্ৰতম কৰ্ত্তব্য। এই মহান কৰ্ত্তব্য পালনৰ ক্ষেত্ৰত অসমৰ জনতা চৰকাৰ যে শোচনীয় ভাৱে ব্যৰ্থ হৈছে তাক প্ৰতিপন্ন কৰিলে যোৱা জানুৱাৰী মাহৰ ৫ তাৰিখে হোৱা অসম নগালেণ্ড সীমান্তত যি নৃশংস হত্যাকাণ্ডই। আজি অসমৰ জনতা চৰকাৰৰ অকৰ্ম্মন্যতাৰ কাৰণেই এইটো হবলৈ সুবিধা পালে। কিন্তু পৰিতাপৰ কথা যে, আমাৰ চৰকাৰে সাহসেৰে এই ঘটনাৰ সন্মুখীন হব নোৱাৰিলে আৰু ঘটনাৰ প্ৰতি গুৰুত্ব দি তাৰ কোনো প্ৰতিকাৰৰ ব্যৱস্থা নকৰিলে। আৰু ইয়াৰ বাবে কোন জগৰীয়া তাৰ পমখেদি এই হত্যাকাণ্ডৰ নিহত লোক সকলৰ প্ৰতি যি ব্যৱস্থা কৰিব লাগিছিল সেই ব্যৱস্থা কৰাত ব্যৰ্থ হৈছে। এই ঘটনাৰ কথা জানিও চৰকাৰে তাৰ কোনো ব্যৱস্থা গ্ৰহন নকৰিলে। আৰু এই ঘটনাৰ অন্তৰালত কি ৰহস্য সোমাই আছে আৰু কি কি শক্তি জড়িত হৈ আছে এই সম্পৰ্কে চৰকাৰে তদন্ত কৰিব লাগিছিল। তেনে কোনো তদন্তৰ ব্যৱস্থা এতিয়াও চৰকাৰে কৰা নাই। আমাৰ চৰকাৰে নিজৰ দায়িত্ব এৰাই দি নিশ্চিন্ত হৈ ৰহি আছে। আমি দেখিবলৈ পাইছো যে, আজি

যি সকল হত্যাকাণ্ডত নিহত হল, তাৰ ভিতৰত শতকৰা ৯০ জনেই জনজাতিয় লোক। সৰ্ব্বহাৰা হোৱা ২৫ হাজাৰ মানুহৰ ভিতৰত শতকৰা ৯৫ ভাগেই জনজাতীয় লোক হয় বাবেই অধ্যক্ষ মহোদয়, এই ঘটনাৰ প্ৰতি চৰকাৰে গুৰুত্ত দিয়া নাই। এই লোক সকলৰ অৱস্থা যিয়েই নহওক লাগিলে আমাৰ চৰকাৰে তাৰ কাৰণে ভ্ৰূক্ষেপ নকৰে। আজি জনজাতীয় লোকসকল মৰ্ম্মাহত হৈছে যে আজিৰ চৰকাৰে আগৰ চৰকাৰৰ দোহাই দি কাম কৰা নাই।

( গণ্ডগোল )

মই ভাবো আমাৰ সোনেশ্বৰ বৰা ডাঙৰীয়াৰ দৈয়াং অভিযানেই মূল কাৰণ। অসম নগালেণ্ড সীমান্তত যি ঘটনা ঘটিল তাৰ পিচত দেখা গল যে, জনজাতীয় লোকৰ ওপৰতে উত্তপীড়ন চলি আছে। আজি জোনাই অঞ্চলটো এই ধৰণে জনজাতীয় লোকৰ ওপৰত অত্যাচাৰ চলিছে আৰু তাৰ প্ৰতিবাদত আন্দোলন কৰা বাবে বহুতোক এৰেষ্টো কৰিছে। আজি ভৈয়ামৰ জনজাতীয় লোক সকলৰ ওপৰত অন্যায় অত্যাচাৰ আদি কৰা হৈছে। আজি আমাৰ জনজাতীয় মন্ত্ৰী সকলে মন্ত্ৰীৰ গাদীত আমেজ পাই আত্মহাৰা হৈ আছে আৰু জনজাতীয় লোকৰ প্ৰতি চিন্তা কৰা নাই।

শ্ৰীসোনেশ্বৰ বৰা ( মন্ত্ৰী ): — আপোনালোকৰ জনজাতীয় মন্ত্ৰী ফৰেষ্ট মিনিষ্টাৰ থাকোতেই এইটো কৰা হৈছিল।

শ্ৰীলক্ষ্যনাথ দলে :— গতিকে মই আজি এই চৰকাৰৰ পৰা সহযোগিতা প্ৰত্যাখ্যান কৰি এই চৰকাৰৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ আহ্বান জনাই মই মোৰ বক্তব্য সামৰণি মাৰিলো।

* ডঃ তাৰিণী চৰণ দাস :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য

* Speech not corrected

শ্ৰীআলভাফ হুচেন মজুমদাৰ ডাঙৰীয়াই যিটো ৰাজ্যপালৰ ভাষনৰ ওপৰত যিটো প্ৰস্তাৱ দাঙি ধৰিছে তাক সমৰ্থন জনাই মই তুষাৰমান কব লৈ আগবাঢ়িছো। যোৱা ৫ জানুৱাৰী তাৰিখে নগা সীমান্তত যি ঘটনা ঘটি গল সি সচাকৈয়ে বৰ্ব্বৰজনক আৰু তুখ লগা। কিন্তু অতি তুখ লগা কথা যে আমাৰ চৰকাৰক বিৰোধী দলে বিশেষকৈ আগৰ কংগ্ৰেছ দলে সমালোচনা কৰিছে। সেইটো মই সমীচীন নহয় বুলি ভাবো। কাৰণ তেওঁলোকৰ দিনতে আমাৰ বৃহত্তৰ অসম খনক কাটি টুকুৰা টুকুৰ কৰিলে কিন্তু তাত তেওঁলোকে বাধা দিয়া নাছিল। সেয়ে আমি কৈছো যে তেওঁলোকে সীমান্তৰ বিবাদত মুঠেই চকু কাণ দিয়া নাছিল। যোৱা ৫ জানুৱাৰী তাৰিখে এটা ঘটনা হৈ গল হঠাতে, তাৰবাবে এই কম দিনীয়া চৰকাৰটোকে অকলে দোষী কৰিব নোৱাৰি। আগৰ চৰকাৰে তেওঁলোকৰ আগৰ দোষ বিলাক ঢাকিবৰ কাৰণে আগৰ কৃত্তি কলাপ বোৰ ঢাকিবৰ কাৰণে বিধান সভাৰ মজিয়াত হুলস্থুল কৰি থকা বুলি মই ভাবো। গতিকে আমাৰ এটা ডাঙৰ দায়িত্ত আহিছে যোৱা বৰ্ব্বৰোচিত যিটো ঘটনা হৈছিল তেনে ধৰণৰ ঘটনা যাতে আৰু ভৱিষ্যতে হব নোৱাৰে তাৰ বাবে চৰকাৰে সীমান্তৰক্ষী বাহিনী কট কটিয়া কৰিব লাগিব। আৰু আলোচনাৰ মাধ্যমেদি যাতে সীমা বিবাদ মীমাংসা হয় তাৰ বাবে যত্নবান হব লাগিব। আৰু এটা ডাঙৰ দায়িত্ব আছে সেইটো হল এই ঘটনাত যি বিলাক মানুহৰ ঘৰ তুৱাৰ পুৰি নিচ্ছিন্ন হৈ গল সেই মানুহ খিনিক যাতে পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰি দিব লাগে। এইখিনি কৰিলেই আমাৰ এই সীমা বিবাদ মীমাংসা হব বুলি বোধ হয়। আকৌ অন্যান্য ক্ষেত্ৰত আগৰ চৰকাৰে আমাক বহু কথাই শুনাইছিল, আমি সেই বিলাক কাগজে

পত্ৰই পঢ়িবলৈ পাইছিলো আৰু শুনিছিলো যে কৃষক সকলক তেওঁলোকে বহুখিনি আগুৱাই লৈ যাব। কৃষক সকলক তেওঁলোকে মাটি দিব আৰু সেইবাবে তেওঁলোকে আইনো প্ৰৱৰ্ত্তন কৰিছিল। চিলিং আইন কৰি মাটি দিব বুলি কৈছিল। কাগজে কলমে অৱশ্য পাইছে যদি নাজানো কিন্তু প্ৰকৃততে এজনো খেতিয়কে বোধকৰো মাটি পোৱা নাই।

( সময়ৰ সংকেত )

এইবোৰ কাণ্ড কৰিও আজি তেওঁলোকে এই কমদিনিয়া চৰকাৰ এখনৰ অপপ্ৰচাৰ কৰি সমালোচনা কৰিছে তেওঁলোকৰ ৩১ বছৰীয়া শাসনৰ দোষ বিলাক ঢাকিবলৈ চেষ্টা কৰিছে মাথোন। মোৰ কবলগীয়া বহুতেই আছিল কিন্তু সময় নিচেই কম বাবে খোৰতে মই মোৰ কথাখিনি ব্যক্ত কৰিবলৈ চেষ্টা কৰিম। আগৰ চৰকাৰে জলসিঞ্চনৰ কেইটামান আচনি হাতত লৈছিল, শুক্লা যমুনা আদি জলসিঞ্চন আচনিত কোটি কোটি টকা খৰচ কৰিছে। কিন্তু ৰাইজে তাত এক টোপাও পানী পোৱা নাই সেয়ে মই এই নতুন চৰকাৰক নিবেদন কৰিছো যে এই জলসিঞ্চন আচনিখিনি সফলকাম কৰি খেতিয়ক ৰাইজৰ কাৰ্য্য সাধন কৰে।

( সময়ৰ সংকেত )

শিক্ষা আৰু স্বাস্থ্য সম্পৰ্কে কবলগীয়া আছিল পিছে সময় নিচেই কম বাবে এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰনী মাৰিলো।

* মঃ চামচুল হুদা ঃ— মাননীয় অধ্যক্ষ মহোদয়, অপেক্ষা কৰি শেষত

* Speecs not corrceted

যেনিবা সময়কন পালো। মই নিজেই এটা সংশোধনী উতথাপন কৰিছিলো কিন্তু সেই সংশোধনী সম্পৰ্কে ৰাখ্যা কৰিবলৈ সময়ে নাপালো। ধৰি লৈছো চৰকাৰে তাৰ পৰা মোক বঞ্চিত কৰিলে। মই মোৰ সংশোধনীত কৈ গৈছো যে ৰাজ্যপালৰ তেখেতৰ ভাষণত চৰকাৰৰ বিভিন্ন দিষৰ ব্যৰ্থতাৰ পৰিচয় দিছে। এই চৰকাৰৰ দিনত অসম বা ভাৰতৰ নাগৰিক সকলৰ তেওঁলোকৰ সীমাৰ ভিতৰতে নিৰাপত্তা নাইকীয়া হৈছে। এই বিলাক এই চৰকাৰৰ উল্লেখনীয়া অপৰাধ যাৰ কাৰনে চৰকাৰ ৰ্ব্যথ হৈছে।

অধ্যক্ষ মহোদয়, নগালেণ্ড সীমাৰ ঘটণা আকস্মিক নহয় ই পূৰ্ব্বপৰিকল্পিত আৰু সুসংহত। এই ঘটনাৰ আৰত এক গভীৰ ষড়যন্ত্ৰ ৰাজনৈতিক উদ্দেশ্য জৰিত থকা যেন লাগিছে। এই গভীৰ ষড়যন্ত্ৰক বাধা দিবলৈ চৰকাৰ ব্যৰ্থ হৈছে। চৰকাৰে এই ক্ষেত্ৰত চৰম উদাসীনতা আৰু অযোগ্যতাৰ পৰিচয় দিছে। অধ্যক্ষ মহোদয়, আজি দেখা যায় ভাৰতীয় নাগৰিকৰ বিৰুদ্ধে, অসমৰ শান্তি-প্ৰিয় নাগৰিকৰ বিৰুদ্ধে একশ্ৰেণীৰ লোকে ৰাজনৈতিক উদ্দেশ্য হাতত লৈ নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে নাগৰিকৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিছে কিন্তু চৰকাৰে নিৰাপত্তা দিব পৰা নাই। নগালেণ্ড সীমাৰ ঘটনা আমি জনাত ২ মাহ আগৰ পৰাই পৰিকল্পিত। ২৮ ডিচেম্বৰ তাৰিখে টিৰেনচাংৰ এচ দি ওই বন্দুক জমা লৈছিল লাইচেন্সৰ কাৰণে কিন্তু হঠাৎ লাইচেন্স ৰিনিউ নকাৰকৈ বন্দুক বিলাক ঘুৰাই নিবলৈ নিৰ্দ্দেশ দিলে। এইবিলাক ঘটনাৰ পৰা নগালেণ্ড চৰকাৰেও হাত সাৰিব নোৱাৰে। মুখ্য মন্ত্ৰী ভিজলে দৈনিক অসম কাগজত কৈছে যে "দৈয়াং ৰেমা ৰিজাৰ্ভ যদি অসম চৰকাৰে খুলি দিয়ে আৰু তাৰ পৰা যদি ভবিষ্যতে কিবা প্ৰতিক্ৰীয়া হয় তাৰ কাৰণে তেওঁৰ চৰকাৰ দায়ী নহব"। ইয়াৰ আগতে যেতিয়া

চেমা মুখ্যমন্ত্ৰী অছিল তেতিয়াৰ পৰাই এই বিবাদ চলিছিল। গতিকে কেন্দ্ৰীয় চৰকাৰ, নগালেণ্ড চৰকাৰ আৰু অসম চৰকাৰ এই তিনি-ওটা চৰকাৰে দোষী বুলি কোৱা হব কিয়নো অসম আৰু নগা-ৰাজ্যৰ যি সীমা সেই সীমা কন্‌ষ্টিটিউচনেল বাৰন্দাৰী। কিন্তু এই কন্‌ষ্টিটিউচনেল বাৰান্দৰীক আজি ইমানদিনে ও অসম চৰকাৰে মনাব পৰা নাই। ৩১ বছৰে কংগ্ৰেছ চৰকাৰে শাসন কৰিলে তেওঁলোকে মনাব নোৱাৰিলে। আজি জনতা চৰকাৰ আহিছে তেওঁলোকেও সেই পথকে গ্ৰহণ কৰিছে। তাত কিছুমান পুলিচ বিষয়াৰ পদোন্নতিৰ লালসাত প্ৰত্যক্ষ আৰু পৰোক্ষভাবে জৰিত থকা বুলি অনুমান হয়। যি সকল এ পি এচ আৰু আই পি এচ বিষয়া তেওঁলোকৰ মতামততো সন্দেহ আছে। আন হাতে আন্দাৰ-গ্ৰাউণ্ড নগা সকলো জৰিত থাকিব পাৰে। গতিকে এই যে এটা পশ্চাদঘাটি কাম হ'ল তাৰ কাৰণে যি সকল দোষী তাৰ ব্যৱস্থা চৰকাৰে নিশ্চয় কৰিব লাগিব।

( সময়ৰ সংকেট )

আমাৰ মাননীয় সদস্য, শ্ৰীপ্ৰেম বৰা ডাঙৰীয়াই, ৰাজ্য-পালক ৰাৱনৰ আখ্যা দিছে মই কিন্তু তেওঁক দ্ৰোপদীৰ আখ্যা দিব খুজিছো। কাৰণ দ্ৰোপদীক পঞ্চপাণ্ডৱ সকলে সমানে ভাল পাই-ছিল তেওঁ ঠিক কাকো এৰাব নোৱাৰে। ঠিক তেনেকৈ ৰাজ্যপালেও কাকো এৰাব নোৱাৰে যিহেতু ৰাজ্যপালক অকলোৰে সমানে ভাল পায়। ২ তাৰিখে তেনে এটা ঘটনাৰ খবৰ চৰকাৰে পাইছিল। গোৱেন্দা বিভাগে উদাসীনতা দেখুৱাইছিল। কেন্দ্ৰীয় চৰকাৰৰ গোৱেন্দা বিভাগে কিছু কাল ধৰি খবৰৰ যোগান ধৰা নাছিল। গোৱেন্দা

বিভাগৰো ইয়াত হাত আছে। অসন্তুষ্ট পুলিচ বিষয়া জড়িত নাই বুলি অস্বিকাৰ কৰিব নোৱাৰি। ২ তাৰিখে দুয়ো চৰকাৰে চুক্তিত উপনীত হৈছিল। সেই চুক্তিক বিশ্বাস ঘাটকতা কৰা হৈছে। সীমান্ত যেতিয়া ঘটনা ঘটিছিল তাক বিষয়া সকলে কিয় প্ৰতিৰোধ কৰিব নোৱাৰিলে? নগা দুবৃৰ্ত্তই আক্ৰমণ কৰিলে, পুলিচ বাহীনীয়ে বন্দুক লৈ মুখা-মুখী কিয় হব নোৱাৰিলে? পুলিচ বাহিনীয়ে গুলিয়া গুলি কিয় কৰিব নোৱাৰিলে? ৰাইজক কিয় হত্যা কৰিব লগা হল? এই কুচক্ৰান্তৰ বাবে উচ্চ পৰ্য্যায়ৰ তদন্ত কৰি বিষয়া সকলক শাস্তি দিব লাগে।

মাননীয় অধ্যক্ষ :— দহ মিনিট হিচাবে সময় দিয়া হৈছিল। সেই সময়ৰ ভিতৰত কোৱা উচিত আছিল।

* মঃ চামছুল হুদা ঃ— অসমৰ জনসংখ্যা বাঢ়িছে। অসমলৈ নেপালী, বিহাৰী, সিদ্ধি আহিছে। সেইকাৰণে জনসংখ্যা বাঢ়িছে। জনসংখ্যা কমাবৰ কাৰণে ভাৰতীয় নাগৰিকক বিদেশী বুলি চালান দি জনসংখ্যা কমাব নোৱাৰে। আচৰিত কথা ভাৰতীয় নাগৰিকক ইয়াৰ পৰা বহিষ্কাৰ কৰিছে। অবৈধ নাগৰিকক বহিষ্কাৰ কৰিলে সমৰ্থন জনাওঁ। কিন্তু শ শ ভাৰতীয় নাগৰিকক বিদেশলৈ চালান দিয়াৰ অধিকাৰ চৰকাৰে কত পালে? এইবিলাক সংবিধান বিৰোধী কাৰ্য্য কলাপ হোৱা নাই নে? ইয়াত ৰাজনৈতিক উদ্দেশ্য, কুচক্ৰান্তৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। চৰকাৰে যদি ইয়াৰ আশু ব্যৱস্থা কৰিব নোৱাৰে তেনেহলে ভবিষ্যতে এটা বিস্ফোৰণ হব। উত্তৰ লক্ষিমপুৰ, হাউলি, বেংমা আদি ঠাইৰ পৰা পুলিচে বিদেশী

* Speech not corrected

নাগৰিক বুলি চালান দিছে। তাৰ যথেষ্ট প্ৰমান আছে। আব্বাচ আলিক বেংমাৰ পৰা চালান দিছে। পল্লাৰ পৰা আব্দুল ৰচিৰ খানক চালান দিছে। এনেকৈ এন, আৰ, চি আৰু ম্যাদি পট্টা থকা মানুহক চালান দিছে। ইয়াৰ পিচত চৰকাৰে কেনেকৈ কব পাৰে যে ভাৰতীয় নাগৰিকক চালান দিয়া হোৱা নাই। ভাৰতীয় নাগৰিকক বিদেশী বুলি বহিষ্কাৰ কৰাৰ অধিকাৰ চৰকাৰৰ নাই। গোপাল বৰবৰা নহৈ গোলাম আলি হল বুলিয়েই চলান দিব নেকি? গোপেন্দ্ৰ দাস বুলিয়েই চালান দিব নেকি?

উচ্ছেদৰ ক্ষেত্ৰত চৰকাৰে চৰম ব্যৰ্থতাৰ পৰিচয় দিছে। বৰপেটাৰ ২৪ খন গাওঁত, নগাওঁত কেবাখনো গাওঁত ৩৫-৪৫ বছৰীয়া বস্তি মাটি থকা মানুহক বহিস্কাৰ কৰিবলৈ কৈছে। ইয়াত ৰাজনৈতিক ষড়যন্ত্ৰ আছে বুলি মই আপোনাৰ জড়িয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। আশা ৰাখিছো ভবিষ্যতে বাকীবিলাক কথা এই সদনত দাঙি ধৰিব পাৰিম।

Mr. Speaker :— Shri Ramesh Das.

শ্ৰীৰমেশ দাস :— মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীআলতাফ হুছেইন ডাওৰীয়াই যি সংশোধনী প্ৰস্তাৱ আনিছে সেইটো সমৰ্থন কৰি দুষাৰমান কবলৈ ওলাইছো মই এইটো দাবী নকৰো আৰু আমাৰ চৰকাৰেও বোধকৰো দাবী নকৰিব যে যোৱা এবছৰৰ ভিতৰত যিখিনি কাম কৰা হৈছে তাতকৈ আৰু বেছিকৈ কৰাৰ সম্ভাৱনা নাছিল আৰু প্ৰয়োজনো নাছিল। আমি যদি অভিজ্ঞ হলোহেতেন আৰু আমোলাতন্ত্ৰই লেং নমৰাহেতেন বহুখিনি কৰিব পৰা গল হেতেন। এই আমোলা-তন্ত্ৰটো প্ৰথমতে বৃটিছ চৰকাৰে আৰু পিছত, কংগ্ৰেছ চৰকাৰে গঢ়

শ্ৰী

দিয়া যন্ত্ৰ। 'মুখেৰে বোলে থাক থাক ভৰিৰে হেচোকে নাওঁ'। এই হল তেওঁলোকৰ মনোভাব। আই, এ, এচ অফিচাৰ প্ৰয়োজনীয়তকৈ অধিক ৰখা হৈছে। তেওঁলোকৰ ভিতৰত বেচিভাগ অফিচাৰেই বাহিৰৰ পৰা অসমলৈ চাকৰি কৰিব আহিছে। অসমৰ জনসাধাৰণক তেওঁলোকে সেৱা নকৰে। কামৰ লগত যদি আন্তৰিকতা নাথাকে তেনেহলে সেই কামৰ পৰা সুফল পোৱা নাযায়। অসমৰ জনসাধাৰণৰ সেৱা কৰাৰ মনোভাব নথকা আন্তৰিকতা নথকা এই আই, এ, এচ, বিষয়া সকলক যিমান সোনকালে পৰা যায় অসমৰ পৰা বাহিৰলৈ পঠাব লাগে। সমগ্ৰ ভাৰতবৰ্ষৰ বাকী অংশ তেওঁলোকৰ কাৰণে পৰি আছে। অসমৰ মানুহৰ সমস্যা বুজিবলৈ আৰু সেই সমস্যা সমাধান কৰিবলৈ তেওঁলোকৰ আন্তৰিকতা নাই যাৰ কাৰণে চৰকাৰ বহু অসুবিধাৰ সম্মুখীন হব লগা হৈছে। এই সদনত সীমান্তৰ বিষয়ে যথেষ্ট কথা আলোচনা কৰা হৈছে। সীমান্ত বিষয়ত এটা কথা মনত ৰখা উচিত হব যে এই বিষয়ত কেন্দ্ৰীয় চৰকাৰো খুব সজাগ নহয় যে তাহানিৰ কুপলেণ্ড প্লেনৰ দিনৰ পৰা অসমৰ সীমান্তত সাম্ৰাজ্যবাদ প্ৰতিষ্ঠা কৰাৰ পৰিকল্পনা আছে সেইকথা পাহৰি যাব নালাগে। যোৱা ৫ জানুৱাৰী তাৰিখে অসম নগালেণ্ড সীমান্তত যি ঘটন সংঘটিত হল সেই বিষয়ে বহুকেইজন মাননীয় সদস্যই আলোচনা কৰিছে। এই সদনত এটা আচৰ্য্যৰ সৃষ্টি কৰিছে। যোৱা ৩০ বছৰীয়া শাসনত অকৰ্মন্যতা আৰু অবহেলাৰ দ্বাৰা অসমৰ স্বাৰ্থৰ পৰিপন্থি কাৰ্য্যৰ দ্বাৰা অসম সীমান্ত পৰ্য্যা লগা অৱস্থাৰ সৃষ্টি কৰি গৈছে। সেইদলে এতিয়া সমস্ত কাৰ্য্যৰ বাবে জনতা চৰকাৰক বেছিকৈ দোষাৰোপ কৰিছে। যোৱা কেইসপ্তাহৰ ভিতৰত অসমৰ সীমান্তত চৰকাৰৰ কাৰ্য্যদক্ষতাত যিখিনি আলি পদুলি গঢ়ি উঠিছে

সেইখিনিৰ তুলনাত শ্ৰীশৰৎ সিংহৰ দিনৰ দহ ভাগৰ এক অংশও হোৱা নাছিল ।

অধ্যক্ষ মহোদয়, যদি আমাৰ পুলিচ বাহিনীয়ে নগা দুবৃত্ত আহিছে বুলি ভয় খাই তৰা নৰা চিগি লৰ নামাৰিলেহেতেন তেন্তে যিমান পৰিমানৰ ঘটনা ঘটিল, সিমান পৰিমাণৰ ঘটনা কেতিয়াও সংঘটিত নহলহেতেন। অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰলৈ এটা বিনীত পৰামৰ্শ দিব খোজো যে অসমৰ এই পুলিচ বাহিনীটোক পুৰুষালি অৰ্জ্জন কৰিবলৈ শিকাওঁক আৰু সক্ষম কৰক। অকৰ্ম্মন্য দুৰ্ব্বল চিতীয়া সকলক কামৰ পৰা বহিস্কাৰ কৰক। আৰু এটা কথা মই কব খুজিছো, সেইটো হৈছে দৈয়াং ৰিজাৰ্ভত অসমীয়া খেতিয়কক মাটি দিয়াৰ কাৰণেহে নগা সকলে হেনো এই ঘটনা সংঘটিত কৰিলে এনে এটা জঘন্য কথা প্ৰচাৰ হৈছে। অধ্যক্ষ মহোদয়, দৈয়াং ৰিজাৰ্ভত যিসকল অসমীয়া খেতিয়কক মাটি দিয়া হৈছে, সেই সকলক নতুনকৈ মাটি দিয়া হোৱা নাছিল। আগৰে পৰা তাত যিসকল মানুহ বহি আছিল তেওঁলোকৰ হে সেই বহি থকা অৱস্থাটোক আইন সঙ্গত কৰা হৈছিল। নগা দুবৃত্ত সকলে দৈয়াংত আক্ৰমণ কৰা নাছিল, আক্ৰমণ কৰিছিল ৰেংমা, দিফু আৰু নাবৰ ৰিজাৰ্ভত। এই কথা উল্লেখ কৰাৰ কাৰণ আছে। অধ্যক্ষ মহোদয় ইয়াৰ লগত দুটা মৌলিক জৰীত আছে। ইয়াৰ দুটা কাৰণৰ এটা হৈছে অসম সীমান্ত সমস্যা আৰু আনটো হৈছে মাটি বিতৰণ সমস্যা। এই দুয়োটা বিষয়তে অসমৰ প্ৰচাৰ যন্ত্ৰই অসমৰ বাহিৰত বিশেষকৈ দিল্লী আৰু কলিকতাৰ বাতৰি যোগান মহলত সঠিক আৰু যথেষ্ঠ ৰূপে প্ৰচাৰ নকৰাৰ ফলত অসমৰ বাহিৰৰ লোকৰ এই দুয়োটা প্ৰশ্নৰে অসম আৰু অসমীয়া সম্পৰ্ক মাৰাত্মক ভুল ধাৰনাৰ সৃষ্টি

হৈছে। কিছুমান স্বাৰ্থ জৰীত মহলে প্ৰচাৰ চলাই আহিছে যে অসমীয়া বিলাক লুভিয়া আৰু হিংসাকুৰিয়া সিহতে নগা প্ৰমুখ ট্ৰাইবেল সকলক শোষন আৰু বঞ্চিত কৰিছে। যদিহে আৰ্য্যবৰ্ত্তৰ আৰ্য্যসকল আহি এই দুৰ্দ্দান্ত হিংসাকুৰীয়া অসমীয়া বিলাকৰ পৰা সবল হোজা ট্ৰাইবেল সকল ৰক্ষা নকৰিলে তেওঁলোকৰ মহা অধৰম হব। দ্বিতীয় প্ৰচাৰ হৈছে অসমত দেধাৰ আবাদ যোগ্য মাটি অনাবাদি হৈ পৰি আছে গতিকে তাত বাহিৰৰ যি কোনো লোক আহি দখল কৰিব পাৰে। কিছুমান স্বাৰ্থ জড়িত লোকে ৰাজনৈনিক সুবিধাবাদৰ কাৰণে নাইবা লোকৰ পৰা পা-পইচা বৰঙনী আদি লৈ হোৰে হোৰে বাহিৰাগতক অসমত সুমুৱাই অসমৰ বন জংঘল আদিত জবৰ দখল কৰাইছে। সেই কাৰণেই অধ্যক্ষ মহোদয় যেতিয়াই অসমত ভূমি বণ্টন হয় তেতিয়াই জোৰ জবৰ দখলকাৰী সকলেহে মাটি পায় দুখীয়া অসমীয়া খেতিয়ক সকল ক'ৰবাতে পৰি থাকে।

( সময়ৰ সংকেট )

অধ্যক্ষ মহোদয়, মোৰ আৰু অলপ কবলগীয়া আছে। মই এখন সংৰক্ষিত আসনৰ পৰা এই বিধান সভালৈ আহিছো। সেয়ে এটা কথা কবই লাগিব যে অসম আৰু অসমীয়াৰ ভিতৰত অনুসুচিত মানুহ সকলেই আটাইতকৈ নিঃকীন আৰু সম্বলহীন। শৰৎ সিংহৰ মন্ত্ৰীত্বৰ কালত শুনিছিলো দিনে দহোটাকৈ বলীষ্ঠ পদক্ষেপ লোৱা হৈছিল। এই পদক্ষেপ বোৰে কাৰ বুকু জুৰালো ? কোনোবা চাইগল, ডুগল, ত্ৰীবেদী নে মাছ মাৰিবলৈ নি বিল নোপোৱা, খেতি কৰিবলৈ মাটি এহালিছা নথকা, উপাৰ্জ্জনৰ কোনো পথ নথকা, আলি পদুলি নথকা বিজুলি বাতিৰ পোহৰ নোপোৱা. লৰা ছোৱালী পঢ়ুৱাবলৈ স্কুল নথকা শিক্ষা দীক্ষাৰ পোহৰ

নোপোৱা অনুসুচিত সকলৰ। মই আপোনাৰ জড়িয়তে এটা পৰামৰ্শ আগবঢ়াব খোজো। সেইটোহৈছে অনুসুচিত জনসাধাৰণৰ সমস্যা সমুহৰ এটা চেনচাচ কৰি সমস্যাবোৰ বিজ্ঞান সমত ভাবে সমাধান কৰিব লাগে।

মিঃ স্পীকাৰ :— আপুনি বিষয়ৰ বাহিৰা কথখিনি পিচত কৰলৈ সময় পাব। এতিয়া আপোনাৰ নিৰ্দ্ধাৰিত সময় পাৰ হৱৰ হৈছে। শেষ কৰক।

শ্ৰীৰমেশ দাস :— অধ্যক্ষ মহোদয়, অনুসুচিত জাতিৰ চাকৰি বাকৰিৰ ক্ষেত্ৰত নিৰাপত্তা দিবলৈ এই অধিবেশনতে এখন বিধায়ক আনিবলৈ চৰকাৰে পাতিছে। মই আশা কৰো সদনে সেইখন পাছ কৰিব আৰু চৰকাৰে কাৰ্য্যকৰি কৰিব। ই নিশ্চয় এক প্ৰগতিমুলক ব্যৱস্থা হব।

অধ্যক্ষ মহোদয়, অসমৰ ভূমি সমস্যা অতি জটিল আৰু গুৰুত্বপুৰ্ণ মোলিক সমস্যা। ততাতৈয়াকৈ এই ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ নকৰি ধিৰে সুস্থিৰে সুচিন্তিত ভাবে এই ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ কৰিব লাগে আৰু তাক কাৰ্য্যকৰি কৰিব লাগে।

অধ্যক্ষ মহোদয়, শিক্ষা, স্বাস্থ্য, আৰু সামাজিক নিৰাপত্তা ইত্যাদি বিষয়তো বৰ্ত্তমান চৰকাৰে কংগ্ৰেছৰ দিনৰ গতানুগতিক আৰু আমোলা তান্ত্ৰিক পদ্ধতি গ্ৰহন নকৰি দুখীয়া জনগনৰ নিকটভৱহৈ জনগনক সেৱা কৰাৰ পদ্ধতি লব লাগে। ইয়াকে কৈ মই মোৰ বক্তিতাৰ সামৰনি মাৰিলো।

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ

ভাষনৰ ওপৰত দীঘলীয়া আলোচনা হৈছে আৰু বিৰোধী পক্ষৰ সদস্য সকলৰ তৰফৰ পৰা এই ভাষণৰ ওপৰত সংশোধনী প্ৰস্তাৱ আদি অনা হৈছে, তাৰ ওপৰত বিৰোধী সদস্য সকলে বক্তব্য ৰাখিছে যদিও ৰাজ্যপালৰ ভাষনত অহা বছৰটোৰ কাৰণে চৰকাৰে কৰিবলৈ লোৱা বহুবিলাক কামৰ বিষয়ে উল্লেখ আছে। ৰাজ্যপালৰ আগৰ ভাষন সমূহতহে বহু কথাই পৰিস্কাৰ কৰি এই ভাষন তেখেতে ৰাখিছে। তথাপি স্বাভাৱিক ভাবে কেইটামান কথাৰ ওপৰত মাননীয় সদস্য সকলে আৰোপ প্ৰকাশ কৰিছে, তীব্ৰ সমালোচনা কৰিছে আৰু এই সমালোচনা তেখেত সকলৰ পৰা আহাটোও স্বাভাৱিক। বিশেষকৈ যোৱা ৫ জানুৱাৰী তাৰিখে নগা সীমান্তত যি ঘটনা হল সেই ঘটনাৰ ওপৰত বহু ৰকমেৰে সমালোচনা হৈছে। এই যিটো ঘটনা হল, তাত আমাৰ জনসাধাৰণৰ ওপৰত জঘন্য আক্ৰমন চলোৱা হল, বহু কেইজনৰ প্ৰাণ হানি হল, বহুতো আহত হল, ঘৰ-দুৱাৰ জলাই দিয়া হল, ইয়াৰ সংখ্যা চৰকাৰী হিচাপত ৪৭০ টা। বহুত মানুহ আশ্ৰয়হীন হল আৰু কেম্পত আশ্ৰয় লব লগা হল। এই ঘটনা অসম তথা গোটেই ভাৰতবৰ্ষৰ কাৰণে এটা বৰ দুখৰ আৰু পৰিতাপৰ কথা। এই ঘটনা সম্বন্ধে আমি আগতিয়াকৈ খবৰ পাইছিলো, কিন্তু একো নকৰিলো এনে অভিযোগ আহিছে। সীমান্তত এটা টেনচন চলি আছিল সেই কথা আমি গম পাইছিলো আৰু ঠায়ে ঠায়ে নগা সকল আহি তাত যি সকল বসবাস কৰি আছিল তেওঁলোককো যে মাজে সময়ে ভাবুকি দিছিল সেই কথাও সচাঁ। তেনে ভাবুকী এই বাৰেই নহয় ইয়াৰ আগতো বছৰি বছৰি চলি আছিল। সেই হিচাবে এইবিলাক খবৰৰ ওপৰত ভিত্তি কৰি আমাৰ ইয়াৰ পৰা পৰিস্কাৰ নিৰ্দ্দেশ দিয়া হৈছিল যে সীমান্তৰ চকি বিলাকত থকা

পুলিচ বাহিনী বিলাক শক্তিশালী কৰিব লাগে আৰু চোকা নজৰ ৰাখিব লাগে।

তাৰোপৰি আমি কেন্দ্ৰীয় চৰকাৰকো জনাইছিলো (ডিচেম্বৰ মাহৰ ৩ তাৰিখে) তেখেত সকলৰ ফালৰ পৰাও বিশেষ ব্যৱস্থা লব লাগে। কাৰণ নগা পাহাৰ ৰাজ্যতো কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা অশান্ত পৰিস্থিতি আদিৰ ওপৰত লক্ষ্য ৰাখিবৰ কাৰণে তেওঁলোকৰ সৈন্য বাহিনী আদি আছে। আৰু সেইকাৰণেই আমাৰ ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰীয়ে আমাক পৰামৰ্শ দিছিল যে দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰী সকলে আলোচনা-বিলোচনা কৰক সেই কাৰণে আমি ২ তাৰিখে কোহিমাত লগ খাইছিলো। আৰু আলোচনা কৰা হৈছিল। আৰু যাতে এটা ষ্টেটাচকু মেইনটেইন কৰিব পৰা যায়। তাৰ কাৰণে আমি সন্মত হৈছিলো। আৰু লগতে সীমাৰ প্ৰশ্নটো নিষ্পত্তি কৰিবৰ কাৰনে, ভৱিষ্যতে আলোচনা বিলোচনা কৰিবৰ কাৰণে তাৰ বুনিয়াদ হিচাবে সুন্দৰম কমিচনৰ প্ৰতিবেদনৰ নকল এতিয়ালৈকে পোৱা নাই আৰু সেইটো পাব বুলি দুয়োজন মুখ্য-মন্ত্ৰীৰ তৰফৰ পৰা কেন্দ্ৰক জনোৱা হৈছিল। তথাপিও ৫ তাৰিখে এই ঘটনাটো হল। ৫ তাৰিখৰ ঘটনাৰ সন্দৰ্ভত আমাৰ কোনোৱা ক্ষেত্ৰত কিবা দুৰ্বলতা আছে সেইটো ঢাকি ৰাখিবলৈ চেষ্টা কৰা নাই। আৰু দেখা গৈছে যে তাত আমাৰ যি আউট পোষ্ট আছিল সেইবিলাক শক্তিশালী কৰাৰ পিচতো এঠাইত চুঙাজান তিনি আলিৰ আউট পোষ্টটো ব্যৰ্থ হৈছে। আনহাতে চুঙাজান মিকিৰভেটা আউট পোষ্টে আক্ৰমণ ব্যৰ্থ কৰিছে, প্ৰতিহত কৰিছে আৰু ১৬ জন মানুহক গ্ৰেপ্তাৰ কৰিছে। গতিকে যিখিনি দুৰ্বলতা আছিল সেইখিনি ব্যৱস্থা লোৱা হৈছে আৰু ইতিমধ্যে তদন্ত চলাই থকা হৈছে। যি সকল বিষয়াৰ বিষয়ে

মাননীয় সদস্য সকলে ইয়াত উত্থাপন কৰিছে সেইসকল বিষয়াৰ কাৰ্য্যৰ অৱহেলাৰ নিৰ্দ্দেশ প্ৰমাণ হলে তেওঁলোকৰ ওপৰত নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰা হব। এই ঘটনাত আমি ব্যৰ্থ হোৱাৰ কাৰণে আমাক ইস্তাফা দিবলৈ কোৱা হৈছে। আৰু লগতে এইটো অভিযোগ কৰা হৈছে যে মুখ্যমন্ত্ৰী সেই ঠাইলৈ নগল কিয়, কেন্দ্ৰৰ পৰা তালৈ কোনেও নাহিল কিয়? ৫ তাৰিখে ঘটনা ঘটাৰ পিচত ইয়াত যিসকল মন্ত্ৰীসভাৰ সদস্য উপস্থিত আছিল, তেওঁলোক ইয়াৰ পৰা গৈ ৬ তাৰিখে সেই ঠাইত উপস্থিত হৈছিল। তেখেতসকলে তাত গৈ জিলাৰ বিষয় ববীয়া সকলক লগত লৈ ৰিলিফৰ ব্যৱস্থা আৰু সুৰক্ষাৰ কাৰণে যিবিলাক ব্যৱস্থা লব লাগে সেইবিলাক লোৱা হৈছিল। মই মুখ্যমন্ত্ৰী হিচাবে এই ঘটনাত অতীব দুখ পাইছো। মই তাতগৈ মানুহ বিলাকক দেখা দিয়াতকৈ তাত যিবিলাক দুৰ্বলতা আছে, যিবিলাক যা-যোগ্যাৰ কৰিব লগীয়া হৈছিল কেইবিলাকৰ নিৰ্দেশ দিবৰ কাৰণেই মই ইয়াৰ পৰা আতৰি যোৱাত অসুবিধা হৈছিল। তাৰোপৰি সেই সময়ত দিল্লীত নেচনেল ডেভলেপমেণ্ট কাউন্সিলৰ মিটিং আছিল। এই মিটিংত পঞ্চবাৰ্ষিক পৰিকল্পনাৰ টকাৰ সম্বন্ধে আলোচনাৰ কথা আছিল। সেইকাৰণেই মই এই মিটিংখন বাদ দিব নোৱাৰিলো। তাৰ পৰা ঘুৰি আহি মই সেই অঞ্চলত উপস্থিত হৈছিলোগৈ। ইয়াৰ উপৰিও গৃহদপ্তৰৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীধনিক লাল মণ্ডলো পূৰ্ব্বাঞ্চল, নগালেণ্ড, মিজোৰাম আদিত ভ্ৰমণ কৰাৰ প্ৰগ্ৰেম আগেৰ পৰা আছিল, তেখেত পৰশুৰাম কুণ্ড ভ্ৰমণ কৰিবলৈ অহাৰ দৰে আহিছে বুলি বহুতে কৈছে। তেখেত অৰুণাচলৰ পৰা ঘুৰি অহাৰ পিচত চাবুৱা বিমান কোঠত প্ৰধানমন্ত্ৰীৰ নিৰ্দ্দেশ পাই তেখেতে এই অঞ্চল ভ্ৰমণ কৰিবলৈ আহিছিল আৰু তেখেতে এই অঞ্চল চাই গৈছে। তাৰ পিচত কেন্দ্ৰৰ নতুন গৃহদপ্তৰৰ মন্ত্ৰী শ্ৰীএইচ, এম, পেটেলেও ভ্ৰমণ কৰি

গৈছে। এনেবিলাক ঘটনা হোৱাটো বৰ দুৰ্ভাগ্যজনক।কিন্তু এনে ঘটনা আগে-পিচেও হৈছিল। এই ঘটনা যে এই বাৰেই হৈছে এনে নহয়। মই আগৰ চৰকাৰৰ বিভিন্ন ৰিপৰ্ট পঢ়ি চাইছো ১৯৬৬ চনৰ এপ্ৰিল মাহৰ ২০ তাৰিখে লামডিঙত ৰেলগাড়ী উৰুৱাই দিয়া হৈছিল। তাত ৫৫ জন মানুহৰ মৃত্যু হৈছিল আৰু ১৩৫ জন মানুহ আহত হৈছিল। ১৯৬৬ চনৰ এপ্ৰিল মাহৰ ২৩ তাৰিখে ডিফুতো এনেধৰণৰ ঘটনা এটা ঘটিছিল। তাত ৪০ জন মানুহৰ মৃত্যু হৈছিল আৰু বহু কেইজন আহত হৈছিল। তাৰ পিচতো বোকাজানত এনেধৰণৰ ঘটনা হৈছিল। এনেধৰণৰ ঘটনাত ইমান বিলাক মানুহ মৰাৰ সময়ত অসমত কোন চৰকাৰে, কোন মুখ্য মন্ত্ৰী সেই সময়ত আছিল? তেতিয়া সেই চৰকাৰৰ সেই মুখ্য-মন্ত্ৰীয়ে ইস্তফা দিছিল নে আপোনালোকে বিবেচনা কৰি চাব। মোৰ বন্ধু বিৰোধী পক্ষৰ সদস্য শ্ৰীমুকুট শৰ্ম্মাই ডাঃ লোহিয়াৰ কথা কৈছে। ডঃ লোহিয়াৰ নিৰ্দ্দেশৰ যিটো কথা কৈছে সেই-সময়ত কেৰেলাত নিজৰ চৰকাৰেই নিজৰ মানুহৰ ওপৰত কৰা গুলি চালনাৰ কাৰণেহে মুখ্যমন্ত্ৰীয়েই ইস্তফা দিবলৈ কোৱা হৈছিল। আমাৰ ৰাজ্যত আমাৰ মানুহে গুলি চলোৱা নাই। আমাৰ ৰাজ্যৰ আনে আক্ৰমণ কৰা কাৰণে মানুহ মৰিছে। এই সময়ত ইস্তফা দি পলায়ণ কৰাতকৈ কেনেকৈ সেই মানুহ বিলাকৰ পুনৰ সংস্থা-পন কৰিব পৰা যায় এইটোকে পৱিত্ৰ কৰ্ত্তব্য বুলি মই ভাবো। আৰু সেইমতেই আমি কাম কৰিবলৈ লৈছো। এই সমস্যাটো ১৯৬৩ চনৰ এক ডিচেম্বৰ তাৰিখে নগালেণ্ড সৃষ্টি হোৱাৰ দিনৰে পৰাই চলি আহিছে। নাগালেণ্ড সৃষ্টি হোৱাৰ আগতেই ১৯৬০ চনত ১৬ পইণ্টৰ এগ্ৰিমেণ্ট হৈছিল কেন্দ্ৰীয় চৰকাৰৰ লগত। তেতিয়াই তেওঁলোকে সীমা বিবাদৰ কথাটো ৰেকৰ্ড কৰাৰ খুজি-

ছিল। অসমৰ মাটি কালিৰ ওপৰত তেওঁলোকৰ দাবী আছিল বুলি তেতিয়াই নোট কৰাব খুজিছিল। তেতিয়াৰ কেন্দ্ৰীয় চৰকাৰে সেইসময়ত সেই সম্বন্ধে সিদ্ধান্ত লব পৰা নহব বুলি কলে, কিন্তু পিচত কৰা হবনে নহয় নকলে। নকৈ কথাটো পিচুৱাই ৰাখিলে। তাৰ পিচত এই অঞ্চলত নগা বাসিন্দা সকলে বেদখল কৰিলে। Conslittutanl boundary violate এইটো শৰৎ সিংহ চৰকাৰৰ আগতে মহেন্দ্ৰমোহন চৌধুৰী চৰকাৰৰ সময়ৰ। তাত পৰিষ্কাৰকৈ উল্লেখ কৰা আছে যে তেতিয়া গেলেকী ৰিজাৰ্ভ, দিছৈ ৰিজাৰ্ভ, কাকডঙা, দৈয়াং আদি বিজাৰ্ভত নগাৰাজ্যৰ পৰা মানুহ আহি ২০ হাজাৰ একৰ মাটি বেদখল কৰিলে। তাৰ উপৰিও তাত উল্লেখ কৰা হৈছে যে ডিফু, ৰেংমা, নামবৰ, আদিতো বেদখল হল। সেই সময়তো এনেধৰণৰ বহুতো বিলাক ঘটনা ঘটিছিল। আজি যি ব্যাপক ধৰণৰ আক্ৰমণ হৈছিল তেতিয়া এনেধৰণৰ ব্যাপক আক্ৰমণ নহৈ সৰু সৰু আক্ৰমণ হৈছিল। তেওঁলোকে আলোচনা কৰিলে হয়, তেওঁলোকৰ পুলিচ চকী য'ত আছিল তাৰ পৰা উঠাই নিনিলে। সেই ৰাজ্যতেই পেলাই থলে। তাৰ পিচত ১৯৭২ চনত এগ্ৰিমেণ্ট হল। তাত ৪ (চাৰি) খন ৰিজাৰ্ভৰ কথা কোৱা হৈছিল। সেইখনো অসম ৰাজ্যৰ কাৰণে সমৰ্থন যোগ্য নহয়। এতিয়া যিকেইটা বনাঞ্চলত দুৰ্ঘটনা ঘটিছে, আগতে যি চাৰিখন বনাঞ্চললৈ এগ্ৰিমেণ্ট হৈছিল তাৰ ভিতৰত নপৰে। আনহাতেদি দৈয়াংত কি কৰিছে। তাত নতুন মানুহ আৰু বহুওৱা হোৱা নাই। এই কথা নাগালেণ্ডৰ মুখ্যমন্ত্ৰীক পৰিস্কাৰ কৰি কোৱা হৈছে। আৰু তাৰোপৰি সেই সময়ত যিসকল মানুহ বহি আছিল তেওঁলোকক ডিষ্টাব কৰা হোৱা নাই। আন ফালৰ পৰাও তাত যি মানুহ বহি আছে তেওঁলোকক ডিষ্টাৰ্ভ

কৰা হোৱা নাই। নতুন মানুহো তাত বহা নাই। সেই মানুহ-খিনি যদি তাত কোনো খেলি মেলি নোহোৱাকৈ থাকিব পাৰে সেইটো ব্যৱস্থা কৰা হৈছে। এই বিষয়ে নগালেণ্ডৰ মুখ্যমন্ত্ৰীক জনাই দিয়া হৈছে। আনহাতেদি যদি আমাৰ মানুহখিনি উচ্ছেদ কৰা হয় তেতিয়া সেই ফালৰ পৰা অহা মানুহক বাধা দিব নোৱাৰি। দেশৰ মাটি খিনি কেনেকৈ ৰক্ষা কৰিব পাৰি সেই-টোলৈ চাই মানুহখিনি তাত বহি থকাত যাতে কোনো অসুবিধা নেপায় সেইটোহে ব্যৱস্থা কৰা হৈছে। গতিকে দৈয়াং মানুহখিনি বহি থাকিবলৈ দিয়াৰ কাৰনেহে যে আনফালে আক্ৰমণ কৰিলে সেইটো নহয়। ইয়াত তেনেকুৱা বহু কথাই জৰিত আছে। সেই বিষয়ে আমি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দৃষ্টি আকৰ্ষণ কৰিছো আৰু সীমান্তৰ যি বিলাক সমস্যা এই সমস্যা যেনেকৈ নগা ৰাজ্যৰ ক্ষেত্ৰত আছে, অৰুণাচলৰ ক্ষেত্ৰটো, মেঘালয়তো আছে। এই দিফু, ৰেংমা, নামবৰত বহু বছৰৰ পৰা বিশৃংখল চলি আছে। ডিমাপুৰত বহুতো কিবা কবি বস্তুৰ কেন্দ্ৰ হৈ গঢ়ি উঠিছে। ১০-১৫ মিনিটত ডিমাপুৰৰ পৰা আক্ৰান্ত অঞ্চলটোলৈ সমাব পাৰি। আনহাভেদি যোৰহাট, গোলাঘাটৰ পৰা ৪-৫ ঘণ্টাৰ ৰাস্তা আহিব লাগে। প্ৰথম আৰু দ্বীতীয় পৰিকল্পনাটো দুই এটা ৰাস্তা হৈছিল। এতিয়া সিফালৰ পৰা কিমান মানুহ আহিল কিমান মানুহ গল সেইটো খবৰ আমাৰ নাই। আগৰ অৱস্থা আছিল নগা সকল তাত আহি মাটিদখল কৰে। আৰু তাৰ পিচত তাত তেওঁলোকে নিজে খেতি নকৰি তাত নেপালী সকলক ৰায়তী হিচাবে থাকি-বলৈ দিয়ে। কিন্তু তিনি বছৰতকৈ তাত থাকিবলৈ নিদেয়ে। কিজানিৰা তেওঁলোকে তাত বহিয়েই যায়। আকৌ নতুনকৈ নেপালী ঘহুৱায়। ফলত নেপালী সকলৰ ওপৰতো আক্ৰ-মণ চলিছে। এই মুকলি কৰা মাটিত তেওঁলেকে থাকি-

বলৈ নিদিয়ে। সেইদৰে বড়ো কছাৰি সকলো তাত আহি সোমাল। তেওঁলোকে দাবী কৰি আহিছে যে তেওঁলোকে নিজ মাটি মুকলি কৰি খেতি কৰিছে। গতিকেই তেওঁলোকে কৰ-বৰঙণি দিবলৈ অস্বিকাৰ কৰিছে। সেই ঘটনাৰ ফলটো নগা ৰাজ্য ফালৰ পৰা মাটি দখল কৰা হয়। কিন্তু বড়ো-কছাৰী সকল যি সকল মাটিহীন মানুহ তাত বাহিছিল তেওঁলোকে কৰ-কাটল দিবলৈ অস্বিকাৰ কৰা কাৰণেও এই ঘটনা পৰোক্ষভাৱে ঘটিব পাৰে। এই ঘটনাৰ সৈতে এন, এ, পি এলিমেণ্ট সংশ্লিষ্ট আছে। আমাৰ ৰাজ্যত পুলিচ বাহীনী কথা আপোনালোকে জানে যে আমাৰ ৯টা বেটলিয়ন আছে। তেওঁলোকক বিভিন্ন ঠাইত ৰাখিব লগীয়া হল। চি, আৰ. পিক বিচাৰিলেও কেইখিনি সময়ত আহিবলৈ সময় লাগে! আন হাতেদি নগা ৰাজ্যৰ নিচিনা ঠাইত সৰু ৰাজ্যত পাচঁটা আছে। আন্দাৰ গ্ৰাউণ্ড যিবিলাক ভাৰেলেচন কৰা দল আছিল তেওঁলোকৰ চেলফ ষ্টাইল ব্ৰেগেদিয়াৰ বা অন্যান্য সাৰৰিক বিষয়া আছিল তেওঁলোকে ভাৱেলেন্চ নকৰো বুলি প্ৰতিশ্ৰুতি দিয়াত নগালেণ্ডত পুলিচৰ মাজত তেওঁলোকক ভৰাই লোৱা হয়। তেওঁলোকৰ বহুতো এই সীমান্তত আছিল। কিন্তু মানুহৰ মানসীক পৰিবৰ্ত্তন জানো সহজে হয়। গতিকে সেই সকল মানুহো এই ঘটনাৰ লগত জৰিত হব পাৰে। যদিও চৰকাৰৰ পৰা তেনে ধৰণৰ কোনো নিৰ্দ্দেশ নেথাকিব পাৰে। এই ক্ষেত্ৰত নগা ৰাজ্যৰ আৰু আমাৰ মাজত যুদ্ধ ঘোষণা কৰা কথা নহয়। কেৱল আমাৰ ৰাজ্যৰ মাটিখিনি ৰক্ষা কৰিব লাগে। আৰু নিৰিহ জনসাধাৰণৰ নিৰাপত্তা ব্যৱস্থা তুৰ্ব্বল হব বুলি সেইটো দূৰ কৰিবলৈ চেষ্টা কৰা হৈছে। এইটো এটা কথা নহয় যে আমাৰ ৰাজ্যৰ ভিতৰত বা কাষত আন ৰাজ্যৰ মানুহ থাকিলে তেওঁ-

লোকৰ ৰক্ষণা-বেক্ষণা দিবৰ কাৰণে তেওঁলোকৰ পুলিচ আহিব লগীয়া হব। তেওঁলোকৰ অফিচৰ বিষয়া আহি জোৰকৈ কৰ কাটল লব আৰু তেওঁলোকৰ নাগৰিকৰ ৰক্ষাৰ কাৰণে আমাৰ ৰাজ্যলৈ আহিব সেইটো কেনেকৈ হব পাৰে। সেই বিষয়ে আমি তেওঁলোকক জনাই দিছো। যদিও আগৰ চৰকাৰৰ দিনতে কিছু মাটি এৰি দিয়া হৈছে আৰু কোৱা হৈছিল যে ইয়াৰ নিয়ম মতে তেওঁলোক থাকিব। কিন্তু পিচত গৈ দেখা গল তেওঁলোকৰ মনোভাব পৰিবৰ্ত্তন হল। আৰু প্ৰশাসন বিস্তাৰৰ কাৰণে মন মেলিলে। আৰু এটা কথা আপোনালোকৰ ওচৰত এটা কথা নিবেদন কৰিব বিচাৰিছো যে স্পষ্টভাৱে দুটা ক্ষেত্ৰত সেই ঘটনাৰ পিচত আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা পৰিস্কাৰকৈ পাইছো। আগতে এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ পৰা কোনো দিনেই ইমান পৰিস্কাৰকৈ কোৱা নাছিল। এই ঘটনাৰ পিচত প্ৰধান মন্ত্ৰীয়ে নগালেণ্ডৰ, মেঘালয়, মিজোৰাম, অৰুণাচলৰ মুখ্যমন্ত্ৰীলৈ চিঠি লিখিছে। মৌলৈ অৱশ্যে লিখা নাই। কিন্তু তাৰ এটা কপিহে মৌলৈ পঠিয়াইছে। ইয়াৰ পৰা ধাৰিব পাৰি যে কেন্দ্ৰীয় চৰকাৰে এই ঘটনাৰ সংক্ৰান্তত আমি কিবা ভুল কৰিছো বুলি নিশ্চয় ভবা নাই। তেওঁলোকলৈ দিয়া চিঠিত লিখিছে সীমা বিবাদ আছে বুলিয়েই সংবিধান সীমাৰেখাৰ অবমাননা কৰা হব নোৱাৰে। কোনো প্ৰধান মন্ত্ৰীয়ে আগতে এই দৰে কোৱা নাছিল। জনতা প্ৰধান মন্ত্ৰীয়ে কনষ্টিটিউচনেল বাউণ্ডেৰি ভাইলেট কৰিব নোৱাৰে বুলি জনাইছে। হ'ম মিনিষ্টাৰেও সংসদৰ সন্মুখত কৈছে যে সীমা বিষয়ে আৰু নতুনকৈ প্ৰশ্ন উঠিব নোৱাৰে। এই দুটা কথাৰ বিষয়ে কোনো পৰিস্কাৰ দৃষ্টি ভংগী আগৰ কেন্দ্ৰীয় চৰকাৰৰ কোনো দিনেই নাছিল। এতিয়া আমি কৰবাত কিবা

হলেই সেই উক্তিৰ ওপৰত ষ্টেণ্ড লম। যোৱা নিৰ্ব্বাচনৰ সময়ত নগালেণ্ডৰ ফালৰ পৰা ইউ, দি, এফ আৰু কংগ্ৰেছ আইৰ পৰা দুজন প্ৰতিনিধি আমাৰ সীমাত থকা অঞ্চলৰ পৰা নিৰ্ব্বাচিত হৈছিল। এতিয়া মেঘালয় দিষ্ট্ৰিক কাউনচেলৰ নিৰ্ব্বাচনৰ কাৰণে ভোট গ্ৰহণ কেন্দ্ৰ আমাৰ সীমাৰ ভিতৰত বহিবলৈ আহোতে উঠাই দিয়া হল। এটা পুলিচ চকিও উঠই দিয়া হল। কেন্দ্ৰীয় চৰকাৰৰ লগত এই বিষয়ে যোগাযোগ কৰা হল। দুই চিফ চেক্ৰেটৰী অসম আৰু মেঘালয় মাজত আলোচনা হল।

এই আলোচনাৰ পিচত "পিজিউদিচ" কৰি তেওঁলোকক আমাৰ সীমাত বহিবলৈ দিয়া হল। কিন্তু পিচত দেখা গল তেওঁলোকৰ ভোট গ্ৰহণ কেন্দ্ৰ বহুত ভিতৰলৈ সোমাই আহিল। তেওঁলোকৰ পুলিচ চকিটো বহুত ভিতৰত গতিকেই সেইটো তুলি দিয়া হৈছে। এই কথা কোনেওঁ জনা নাছিল। আৰু সেইসকলক তুলি দি তাৰ পৰা বণিহাটৰ সিপাৰে এৰি দিয়া হৈছে। আমি আলোচনা বিলোচনা বন্ধ কৰা নাই। ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে কৈছে যে কিবা দিচপিউত থাকিলেও কনষ্টিটিউচনেল বাউণ্ডেৰি ভাৰলেট কৰা নহব। এখন ৰাজ্যত আন ৰাজ্যৰ মানুহ থাকিলেও তেওঁ-লোকক ৰক্ষনা-বেক্ষনা দিয়াৰ কাৰণে আন ৰাজ্যৰ প্ৰশাসন চলাই থাকিব নোৱাৰিব। লগতে এইটোও কোৱা হৈছে দুখন ৰাজ্যৰ মাজত কেতিয়াও যুদ্ধ কৰাৰ মনোভাব থাকিব নেলাগিব। দুখন ৰাজ্যৰ পুলিচ বাহিনীৰ মাজতো যুদ্ধংদেহি মনোভাব থাকিব নেলা-গিব। কিবাসমস্যা থাকিলেও আপোচ মনোভাবেৰে সমাধান কৰিব লাগিব। যদি দুই খন ৰাজ্যৰ ভিতৰত আলোচনা বিলোচনা হৈ সমস্যা সমাধান নহয় তেতিয়াহলে কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত আগবাঢ়ি আহিব। তাৰোপৰি সুন্দৰমৰ যিটো ৰিপৰ্ট আছিছে সেই

ৰিপৰ্টৰ পৰা আমি গেইন কৰিছো। সুন্দৰম প্ৰকৃততে কমিচন নাছিল। তেওঁক নিয়োগ কৰা হৈছিল এডভাইছাৰ টু দি হ'ম মিনিস্ট্ৰী হিচাবে। তেওঁলোকৰ যিটো প্ৰতিবেদন ১৯৭৪ চনতে দাখিল কৰা হল সেইটো গাপ দি ৰখা হল। অসম ৰাজ্যয়ো কোনো মাত নিদিলে আৰু নগা ৰাজ্যয়ো কোনো মাত নিদিলে; বোধকৰো এই কাৰণেই কৰা হল ১৯৭৪ চনত এইখন দাখিল কৰা হল। তাৰ পিচত ১৯৭৫ চনত জৰুৰী কালীন অৱস্থা আহিল। ফলত বহিৰা ৰাজ্যকেইখনৰ ৰাজনীতি পেট্টান সলনি হল। আন-ফালে আন এটা হাওৱা আহিল: কেন্দ্ৰীয় চৰকাৰক সেই বিলাক কথাত সন্তোষ্ট কৰিব পৰা নগল। সেই ৰিপৰ্ট আমাৰ হাতলৈ আহিছে। সেইখন সম্পূৰ্ণ প্ৰতিবেদন নহয় বুলি জনাইছে। কাৰণ শেষত অসম আৰু নগালেণ্ডৰ মুখ্যমন্ত্ৰীৰ সৈতে তেখেতে যুটিয়া ভাৱে আলোচনা কৰাৰ কথা আছিল। নগালেণ্ডত ৰাষ্ট্ৰপতি শাসন হল। গতিকে সেই আলোচনা সম্ভৱ নহল। তথাপি সুন্দৰমে তেওঁৰ টোকাটোত নগালেণ্ডৰ স্মাৰক পত্ৰ পুংখানু পুংখৰূপে আলোচনা কৰিছে আৰু অসমৰ ফালৰ পৰা যি স্মৰক পত্ৰ দিয়া হৈছিল, তাৰ ওপৰতো সুন্দৰমে আলোচনা কৰি এটা মতামত দিছে যিটো মতামত শতকৰা ৮০ ভাগেই আমাৰ অসমৰ সপক্ষে আছে। সেইটো আৰু খোলোচা কৰিব নিবিচাৰো। কেন্দ্ৰীয় চৰকাৰৰ প্ৰধান মন্ত্ৰীৰ চিঠি কেই খন আৰু সুন্দৰমৰ পৰা যিখিনি পাইছো তাৰ ভিত্তিত আমাৰ ভেটিটো বেচ শক্তিশালি হৈছে। গতিকে আমি সেইকাৰণে আমাৰ দেশৰ মাটি ৰক্ষা কৰিব লাগিব। আমাৰ ৰাজ্যৰ মটি ৰক্ষা কৰিব লাগিব। ওচৰ-চুবুৰীয়াৰ লগত মাটি ৰক্ষা কৰিবলৈ গৈ যুদ্ধ ঘোষণাৰ প্ৰশ্ন নুঠে, এই কথালৈ আমি লক্ষ্য ৰাখিব লাগিব। এই কামত আগবাঢ়িবলৈ আমি প্ৰস্তুত আছো। এই ক্ষেত্ৰত আমাৰ ভুল

ভাণ্ডি বহুতো হব পাৰে। আমাৰ চৰকাৰ আছে, পুৰণি আমাতকৈ চৰকাৰ চলোৱা বহুত অভিজ্ঞতা থকা লোক ইয়াত আছে। এই ক্ষেত্ৰত আমি সকলোৰে সহায় সহযোগ কামনা কৰিছো। সেই কাৰণেই ৫ তাৰিখৰ ঘটনাৰ পিচত বিভিন্ন ৰাজনৈতিক দলক আলোচনাৰ কাৰণে মতা হৈছিল। কিন্তু সময় কম হোৱাৰ কাৰণে বহুকেইজন আহিছিল যদিও বহুকেইজন আহিব নোৱাৰিলে। বিধান সভা আৰম্ভ হোৱা কেইদিন মানৰ আগতে বিধান সভাৰ বিভিন্ন দলৰ নেতা সকলক আহৱান জনোৱা হৈছিল। তাত কেইজন মান উপস্থিত আছিল। ৰাজ্যপালৰ ভাষনৰ ওপৰত আন বহুতো বিষয়ে আলোচনা বিলোচনা হৈছিল। সময় কম হোৱা হেতুকে সীমান্তৰ কথা ইমানতে সামৰিব বিচাৰিছো। ইয়াৰ পিচত আটাইতকৈ উতপ্ত আলোচনা হল বহিৰাগতক বহিস্কাৰ কৰা কথা। বিদেশী নাগৰিকক বহিষ্কাৰ কৰা কথা এতিয়াৰ পৰা হোৱা নাই। এইটো আগৰে পৰা চলি আছে। অতিশৰ্য্যা হৈছে কৰবাত কৰবাত সেইটো স্বীকাৰ কৰিছো। মাননীয় সদস্য সকলে বহুতেই তেনেকৈ অভি-যোগ আনিছে। আৰু বহুতে স্পেচিফিক অভিযোগ আনিছে সেই বিষয়ে আমি তদন্ত কৰি আছো। আগতে ট্ৰিবুনেল আছিল কিন্তু এতিয়া নথকা কাৰণে এই বিষয়ে কি হিচাবে সমস্যা সমাধ্যন কৰিব পাৰি সেই বিষয়ে চিন্তা কৰি থকা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ গৃহ দপ্তৰৰ নিৰ্দ্দেশ অনুযায়ী পুলিচৰ লগত বিষয়টো আছে আৰু ৰাজ্য চৰকাৰৰ লগত এই নিয়ন্ত্ৰণৰ দায়িত্ব ভাৰৰ অধিকাৰ আছে। যোৱা ২১ তাৰিখে গৃহ দপ্তৰৰ পৰা কেবিনেটৰ সিদ্ধান্ত অনুসৰি সকলোলৈ নিৰ্দ্দেশ দিছে।

অসমত বহিৰাগত লোকৰ সমাবেশে আমাক চিন্তিত কৰি তুলিছে। সেই কাৰণেই আমি আৱশ্যকীয় ব্যৱস্থা ইতিমধ্যে হাতত

লৈছো। কাৰণ অসমলৈ অহা বাহিৰাগতক আমি সদায়েই মাটি ভোট দি ৰাখি থাকিব নোৱাৰো। ১৯৭১ চনৰ পৰা এই সম্বন্ধে সীমা ৰেখা কেন্দ্ৰিয় চৰকাৰে বান্ধি দিছে। ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিচত যি সকল বাংলা দেশৰ পৰা মানুহ আহিছে তেওঁলোকক বাহিৰাগত বুলি ধৰা হৈছে। কেন্দ্ৰিয় চৰকাৰে আৰু কৈছে যে নেপালৰ পৰা ১৯৭৬ চনৰ পিচত অহা সকলে এনট্ৰি পাৰমিট লব লাগিব। এই বাংলাদেশী বাহিৰাগত সকলৰ বিতাৰনৰ ক্ষেত্ৰত বিষয়টোৰ ওপৰত যাতে কিবা জুডিচিয়েল ব্যৱস্থা কৰিব পৰা যাব কেন্দ্ৰিয় গৃহদপ্তৰৰ পৰা সেই বিষয়ে পৰামৰ্শ লোৱা হব। আমাৰ ৰাজ্য চৰকাৰৰ আইন বিভাগক কথা পৰীক্ষা কৰি চাবলৈ নিৰ্দ্দেশ দিয়া হৈছে। তাৰোপৰি গাওঁ অঞ্চলৰ বিভিন্ন ঠাইত পঞ্চায়ত আদিৰ যোগেদি এই ব্যৱস্থা কৰা হব। কাৰণ অকল পুলিচৰ ওপৰতেই এই দায়িত্ব থাকিলে কিবা খেলিমেলি থাকি যায়। এই কথাটো আমি হিন্দু মুছলমান হিচাবে বা অসমীয়া বঙালী হিচাবে ধৰিলে ভুল কৰা হব। আজি আমাৰ ৰাজ্যৰ সমস্যা বহুতেই আহি পৰিছে। তাৰ ভিতৰত মাটিৰ সমস্যা, ডি জি, আৰ, থি, জি আৰ আদি এই সকলোবোৰ আহি পৰিছে। গতিকেই মই এই সমস্যা বোৰ মানবীয় দৃষ্টি ভংগিৰে চাই ইয়াৰ এটা সুব্যৱস্থা কৰিবলৈ স্থিৰ কৰিছো লগতে অন্যান্য ভালেমান কেইটা কথা মাননীয় সদস্য সকলে প্ৰশ্ন তুলিছিল যদিও মই বেছি সময় কবলৈ সুবিধা নেপাও, কাৰণ চাৰে ১১ বজাত সদনৰ সময় উকলি যাব। গতিকে মই থুল মুল ভাবে কেইটামান বিষয়ৰ কথা কম। কৃষি, উদ্যোগ, ভুমি সংস্কাৰ আদিৰ কাৰণে চৰকাৰে যে কোনো কাম কৰা নাই তেনে নহয় এই ক্ষেত্ৰত কি দৰে অগ্ৰসৰ হৈছে তাৰ লিষ্টবোৰ কৰি লৈ আমি বিবেচনা কৰি চাম। আমি এই বিষয়ে পৰিকল্পনা স্থিৰ কৰিছো।

এই পৰিকল্পনা কাৰ্য্যকৰি কৰি তুলিবলৈ আমি প্লেনিং বৰ্ড গঠন কৰিছো আৰু তাত আৱশ্যকীয় পৰামৰ্শ আপোনালোকৰ পৰা লৈ কেনেকৈ ৰাজ্য খনক উন্নতিৰ পথেৰে আগবঢ়াই নিব পাৰি তাৰ চেষ্টা আমি কৰিম। আৰু সেই কাৰনে মই ৰাজ্যপালৰ ভাষনৰ প্ৰতি সমৰ্থন জনাই বিৰোধী পক্ষৰ সদস্য সকলক অনুৰোধ জনাইছো যাতে তেখেত সকলে ৰাজ্যপালৰ ভাষনৰ ওপৰত যি সংসোধনী প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱ যেন উঠাই লয়। ইয়াকে কৈ মই বক্তব্যৰ সামৰনি মাৰিলো।

শ্ৰীপ্ৰোমোদ গগৈ :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰিয়াই নগালেণ্ড সীমান্তৰ কথা কওঁতে কৈছিল যে ঘটনাৰ সংক্ৰান্তত যি সকল কৰ্ম্মচাৰিয়ে দায়িত্ত পালনত ব্যৰ্থ হৈছিল সেই সকলৰ বিৰুদ্ধে নিশ্চয় চৰকাৰে ব্যৱস্থা গ্ৰহন কৰিব। এইটো কথা মুখ্যমন্ত্ৰী ডাঙৰীয়াই জানে যে চুঙাজান অঞ্চলত ৫ তাৰিখে আক্ৰমন হোৱাৰ সম্ভাৱনাৰ সম্পৰ্কে তিনি তাৰিখৰ দিনা ডি, চি, এচ, পি, ডি, আই, জি আৰু চিফ চেক্ৰেটাৰী আদি লোক সকলে এই সংবাদ পাইছিল, কথাটো সচানে? আৰু যদি এখেত সকলে সেই সংবাদ পাইও দায়িত্ত পালন নকৰাৰ কাৰনেই আক্ৰমন কৰিবলৈ পালে, সেই কৰ্ম্মচাৰি সকলৰ ওপৰত ৰাজ্য চৰকাৰে কিবা ব্যৱস্থা লৈছে নে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো আলোচনাৰ সময়ত ভালে কেইজন বিষয়া মোৰ লগত আছিল। তাৰ ভিতৰত যোৰহাটৰ ডি, চি, এচ, পি আদি কৰি সকলো খিনি লোক মোৰ লগতে ঘুৰি আহিছিল। ৫ তাৰিখে পুৰা কিবা এটা ঘটিব তেনে কোনো খবৰ পোৱা নাছিলো। ডিমাপুৰৰ এ, ডি চিয়ে এজন মেজিষ্ট্ৰেত চুঙাজানলৈ পঠিয়াই। ৪ তাৰিখে গধুলি

খবৰ দিছিল বুলি ওলোৱা বাতৰিও সচাঁ নহয়। আমি অনুসন্ধান কৰি চাইছিলো আৰু নগালেণ্ড চৰকাৰৰ এজন প্ৰতিনিধিয়ে সেই চকীত এখন স্লিপ দিছিল, সেইখন এতিয়াও আমাৰ হাতত আছে, তাত আমাৰ অঞ্চলত থকা ৪ খন নগা গাওঁৰ নাম আছে, অসমৰ পুলিছে সেই কিবা অত্যাচাৰ কৰিছে নেকি তাকে চাবলৈহে তেওঁলোক আহিছিল। নগালেণ্ড চৰকাৰে চাৰি তাৰিখে আক্ৰমণৰ খবৰ পোৱা হলে ৫ তাৰিখে এই আক্ৰমণ বাধা দিবও পাৰিলেহেতেন। গতিকে চাৰি তাৰিখে খবৰ পোৱা কথাটো মিচা কৈহে প্ৰচাৰ হৈছে।

মঃ ইদ্ৰিছ ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে বাহিৰাগতৰ নামত যিটো বাখ্যা দিলে সেইটো শুনি আমি ভাল পালো। কিন্তু বৰ্ত্তমান সদনত আমি এই প্ৰসংগত কেইজনমান সদস্যই এটা কথা উলিয়াইছিলো যে খেলি-মেলিৰ কাৰণেই এইটো হৈছে। সেই খেলি মেলিমেলিৰ বাবনে কি ব্যৱস্থা লৈছে? বাংলাদেশী বুলিলে কাক বুজায়, সেই সংজ্ঞাটো কৈ দিলে ভাল হয়। দ্বিতীয়তে আমি জানি ভাল পাইছো যে চৰকাৰে বাহিৰাগতক বহিষ্কাৰ কৰিবৰ কাৰণে দুই ৰকমে পন্থা হাতত লব, এটা জুডিচিয়েল আৰু আনটো স্থানীয় কমিটিৰ জৰিয়তে। কিন্তু এইবিলাক কৰিবলৈ যাওতে বিত্তৰ প্ৰয়োজন নিশ্চয় হব। এইবোৰ কৰিবলৈ যাওতে নিশ্চয় পলম হব। তেতিয়া হলে এই কালছোৱাত বহিষ্কাৰৰ কামখিনি কোন পদ্ধতিত কৰিব মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, কেন্দ্ৰিয় চৰকাৰৰ ফালৰ পৰা নিৰ্দ্দেশ আছে যে যিসকল লোক ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগতে যি সকল লোক ইয়ালৈ আহিছিল তেওঁলোকক বহিষ্কাৰ কৰা নহয় ১৯৭১ চনৰ মাৰ্চৰ পিচত অহা লোক সকলকহে বহিৰা-

গতৰ শাৰীত পেলাই বহিস্কাৰ কৰা হব। ইতিমধ্যে বিধান সভা চলি থকা অৱস্থাতে মই উচ্চতম বিষয়া সকলৰ লগত আলোচনা কৰিছো।

* শ্ৰীগজেন তাঁতী :— মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে জিলা বিষয়া সকলে খবৰেই পোৱা নাছিল। কিন্তু অধ্যক্ষ মহোদয়, বিধান সভাৰ যি খৰা দল আপুনি পঠিয়াইছিল তেখেত সকলৰ আগত শিৱসাগৰ জিলাৰ উপায়ুক্তই কৈছিল যে ষ্টেট ইণ্টালিজেণ্ট বকৰ' পৰা এটা খবৰ পাইছিল যোৱা ২ তাৰিখেই যে Chungajan and other police out-posts will be attacked. কিন্তু পিচত তেখেতে কয় যে নহয় ৩ তাৰিখেহে পাইছো আৰু দিছপুৰক জনাইছো। এই কথাটো শিৱসাগৰৰ উপায়ুক্তই বিধানসভাৰ প্ৰতিনিধি দলৰ আগত নিজেই স্বীকাৰ কৰিছল। ইয়াৰ পিচতো মুখ্যমন্ত্ৰী মহোদয়ে একো খবৰেই পোৱা নাই বুলি কেনেকৈ কব পাৰে।

দ্বিতীয়তে, মুখ্যমন্ত্ৰী মহোদয়ে আৰু এটা কথা অস্বীকাৰ কৰিছে যে বিদেশী নাগৰিকৰক খেদ পঠিয়াবলৈ যাওঁতে এজনো ভাৰতীয় নাগৰিকক পঠোৱা হোৱা নাই। ইতিমধ্যে আমি এখন লিষ্ট দাখিল কৰিছোঁ আৰু এই লিষ্টত থকা অন্তত: ১০ জন ভাৰতীয় লোকক বিদেশী নাগৰিক বুলি বহিস্কাৰ কৰিছে। এই কথাটো অনুসন্ধান কৰিবলৈ মই এটা অনুসন্ধান কমিটী গঠন কৰি দিবলৈ এই বিধান সভাতে অনুৰোধ কৰিছো। মুখ্যমন্ত্ৰীয়ে সেইটো গ্ৰহণ কৰিবনে নকৰে আমি জানিব খুজিছো।

শ্ৰীবীৰেশ মিশ্ৰ :— অধ্যক্ষ মহোদয়, একটা কথার স্পষ্টীকরন আমি চাইছি এবং এই ব্যপারে আমাৰ একটা সাজেচনও আমি রাখতে চাই যে এই নাগা বর্ডারে যে দুঃখজনক ঘটনা ঘটেছে এর পশ্চাতে যে

* Speecs not corrceted

সমস্ত ষড়যন্ত্রকাৰী পাপচক্র রয়েছে আর তাছাড়া যে সমস্ত অফিচারের গ্যাফিলতির জন্য এই দুঃখজনক ঘটনা ঘটলো এই সব ব্যাপারে তদন্ত হবে কিনা আমি পরিস্কার জানতে চাই।

আমার দ্বিতীয় কথা হলো যে, যে সমস্ত বাহিরাগতের কথা মুখ্যমন্ত্রী মহোদয় বলেছেন যে তাদের বিতাড়ন করতে হবে সে সম্পর্কে আমি সরকারের কাছে বলছি যে বাহিরাগত বিতাড়নের নামে ভারতীয় নাগরিকদের উপর যে অন্যায় জুলুম চলছে তাদের সংবিধানগত অধিকার রক্ষা সম্পর্কে সরকারের একটি স্পষ্ট নীতি থাকলে ভাল হয়।

* শ্রীপ্রেম বৰা :— মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰা মই তিনিটা বিষয়ত স্পষ্টিকৰন বিছাৰিছো। প্ৰথমতে নগাৰ যি নগা আক্ৰমনৰ কাৰণে যি সকল দোষী সেই সকলক বিধান সভাত গৰিহনা দিছে আৰু চৰকাৰেও প্ৰশাসনীয় ব্যৰ্থতাক স্বীকাৰ কৰি লৈছে। গতিকে এই ক্ষেত্ৰত ভৱিষ্যতে প্ৰশাসনীয় যন্ত্ৰ বোছ কটকটিয়া কৰি তুলিবলৈ লাগে। আৰু বিধান সভাৰ সদস্য সকলক বিশ্বাসত ৰাখি এটা উচ্চ পৰ্য্যায়ৰ তদন্ত কৰি দোষী সকলক যাৰ গাফিলতিৰ কাৰণে এনে এটা হত্যাকাণ্ড হবলৈ পালে তাৰ বিচাৰ কৰিব লাগে।

দ্বিতীয়তে, মই কওঁ যিসকল ক্ষতিগ্ৰস্ত পৰিয়াল এতিয়াও সেই বনাঞ্চলত বাস কৰি আছে তেওঁলোকক যি পৰিমানে সাহায্য দিব লাগিছিল সেই দৰে দিয়া নাই। গতিকে সেই সকলক পুনৰ ঘৰ তুৱাৰ সজাই দি পুনৰ সংস্থাপনৰ দিহা কৰি দি তেওঁলোকক বিনামুলীয়াকৈ খোৱা বস্তুৰ যোগান ধৰিব লাগিব।

তৃতীয়তে, চৰকাৰৰ গাফিলতিৰ কাৰণে শিক্ষা বিভাগে

* Speech not corrected

প্ৰাথমিক স্কুল এই বছৰত এখনো লব নোৱাৰিলে এই যে প্ৰসাসনীয় ব্যৰ্থতা তাৰ সংস্কাৰৰ কাৰণে কিবা আশ্বাস দিব নেকি ?

চতুৰ্থতে, বহিৰাগতৰ নামত যি সকল ভাৰতীয় লোকক বহিস্কাৰ কৰা হৈছে সেই সম্পূৰ্কে এটা খেলি মেলি পৰিলক্ষিত হৈছে। গতিকে চেমি জুদিচিয়েল বডী এটা কৰিব বুলি মন্ত্ৰী মহোদয়ে আশ্বাস দিব নেকি ?

* শ্ৰীচামচুল হুদা :— মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এটা বিষয়ত স্পষ্টিকৰণ বিচাৰোঁ। সেইটো হৈছে বাহিৰাগতক খেদি পঠিয়াবলৈ যাওতে বহুতো ভাৰতীয় নাগৰিকক অযথা জুলুম দিয়া হৈছে যি সকল ভাৰতীয় নাগৰিকক ইতিমধ্যে খেদি পঠোৱা হৈছে তেওঁলোকক নিজ ঠাইলৈ পুণৰ ঘুৰাই অনাৰ কিবা ব্যৱস্থা চৰকাৰে কৰিবনে ?

* শ্ৰীযোগেন গগৈ :— যোৱা ৫ জানুৱাৰী তাৰিখে নগালেণ্ডত যি ঘটিল তাৰ কিমান দিনৰ পিচত দিশপুৰে ইয়াৰ খবৰ পাইছিল ? তেন্তে আগতীয়াকৈ তাৰ নিৰাপত্তাৰ ব্যৱস্থা নকৰিলে কিয় আমাক জনাবনে ?

* শ্ৰীআনোৱাৰা টাইমুৰ :— মাননীয় মন্ত্ৰী মহোদয়ে এতিয়া এই ঘটনাক অতৰ্কিত আক্ৰমন বুলি কৈছে। কিন্তু নগালেণ্ডৰ এই ঘটনা বুৰঞ্জীত সদায়ে জিলিকি থাকিব। যি সকলৰ গাফিলতিৰ কাৰণে এই খিলঞ্জীয়া লোক সকলে প্ৰাণ আহুতি দিব লগা হল তেওঁলোকক অনুসন্ধান কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ? আনহাতে বাহিৰাগতৰ নামত যি সকল ভাৰতীয় নাগৰিকক খেদি পঠোৱা হৈছে সেই সম্পৰ্কে এটা স্পষ্ট নীতি চৰকাৰৰ পৰা আমি বিচাৰো।

* Speech not corrected

* শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) ঃ— মই আগতেই কৈছো যে নগালেণ্ডৰ কথাৰে যিখিনি খবৰ পোৱা হৈছিল তাৰ পৰিপ্ৰেক্ষিতত্তে যিমানখিনি কৰিব পৰা যায় কৰা হৈছিল। আৰু ব্যৰ্থতা যত যি হৈছে সেই সম্বন্ধে আমাৰ তৰফৰ পৰা তদন্ত চাই থকা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰেও উচ্চ পৰ্য্যায়ৰ তদন্ত চলাই আছে। সেই বিলাক আমাৰ হাতত পৰিলেই কাৰোবাৰ ওপৰত কিবা ব্যৱস্থা লবলগীয়া হলে যিমানেই উচ্চ পৰ্য্যায়ৰ বিষয়া নহওক কিয় ব্যৱস্থা লোৱা হব।

* শ্ৰীপ্ৰমোদ গগৈ ঃ— ডি চি আৰু এচ পিৰ পৰা ৪ তাৰিখেই খবৰ পাইছিল নেকি ?

* শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) ঃ— বাংলাদেশীৰ ক্ষেত্ৰত অতি সোনকালে ব্যৱস্থা লোৱা হব আৰু সেই সম্বন্ধে ইতিমধ্যেই নিৰ্দেশ দিয়া হৈছে। যি সকল মাননীয় সদস্যই ইতিমধ্যে নিৰ্দ্দিষ্ট অভিযোগ দিছে, সেই অভিযোগ বোৰ বা ডকুমেণ্টচৰ ওপৰত ভিত্তি কৰি ব্যৱস্থা গ্ৰহন কৰা হব। অৱশ্যে বহুতে এই ক্ষেত্ৰত ভাল ডকুমেণ্টচ দিয়াও পৰিলক্ষিত হৈছে। তাত থকা চহী, মোহৰ আদি নষ্ট কৰি জাল কৰা হয়। আজিকালি এইবিলাক বহুত ক্ষেত্ৰতেই হয়। আনহাতে আমি তাৰ পৰা পলোৱাৰ পিচত তুফানগঞ্জৰ পৰা নাগৰিকত্তৰ চাৰ্টিফিকেট লৈ পুনৰ ঘূৰালৈ আহিছিল। এনেকুৱা ২০টা কেচ কেন্দ্ৰীয় চৰকাৰৰ গৃহ দপ্তৰক জনোৱা হৈছে। এইকেইটা পৰীক্ষা কৰি চাই আমাক জনাইছে আৰু সেই মতেই আমিও ব্যৱস্থা লৈছো যে সেইবিলাক চাৰ্ট্ৰিফিকেট গ্ৰাহ্য কৰা নহব।

পুনৰ সংস্থাপনৰ ক্ষেত্ৰত লোৱা হৈছে যে ইতিমধ্যে

* Speech not corrected

ৰচদ-পাতি বন্ধ কৰা হৈছে। কিন্তু মই জনাব বিচাৰিছো যে কেম্পত যিবিলাক আছে সেইবিলাকক ৰচদ দি থকা হৈছে। গৃহ নিৰ্ম্মাণৰ ক্ষেত্ৰত মই কব বিচাৰিছো যে তাত গৃহ নিৰ্ম্মানৰ ক্ষেত্ৰত বিশেষ অসুবিধা হোৱা নাই কাৰণ তাৰ বন জঙ্গলত বাহ-বেত খেৰ আদি আছে। গতিকে ঘৰ নিৰ্ম্মানত কোনো অসুবিধা নাই। আগতেও তেওঁলোক খৰচি ঘৰত নাছিলে। কেম্পা বিলাকত ট্ৰিপালৰ ঠাইত টিনপাত দিবলৈ চেষ্টা কৰা হৈছে।

Mr. Speaker :— Order, order, the first amendment was moved by the Hon'ble Member Shri Shamsul Huda. Will Shri Huda press for his amendment ?

Shri Shamsul Hoda :— Sir, in view of the assurances given by the Hon'ble Chief Minister, I Withdraw my amendment.

Mr. Speaker :— The first amendment is Withdrawn.

The second amendment moved by the Hon'ble Member Shri Giridhar Thengal and some-other Hon'ble Members. Will the Honble Members press for their amendment ?

Shri Promode Chandra Gogoi : – Sir, We are not going to withdraw the amendment.

( The House then divided. )

Mr. Speaker :— The result of the division is this:—

Ayes :— 30

Noes: — 60

Abstained :— 13

Tharfore, the amendment is lost. Now the next amendment moved by Shri Mukut Sarma. Will you press for it ?

Shri Mukut Sarma :— We will press for it.

Mr. Speaker :— ( The amendment was put and lost )

Now amendment No. 4 moved by Shri Gajen Tanti is it withdrawn ?

Shri Gajan Tanti :— No sir.

( The amendment was lost by voice vote )

Next amendment moved by Shri Golak Rajbanshi ?

( The amendment was lost )

Next amendment moved by Shri Dewan Jaynal Abedin-are you pressing ?

Shri Dewan Joynal Abedin: — Sir I would press for a voice vote.

( The amendment was lost in voice vote )

Mr. Speaker :— Next amendment moved by Shri premadhar Bora;

Shri Premadhar Bora :— Sir, in view of the Chif Minister's assurance I withdraw the amendment.

Mr Speaker :— The amendment is withdrawn. Now next amendment moved by Shri Hemen Das— the amendment is withdrawn.

Now I come to main motion. That the members are grateful to the Governor for the address he has been pleased to deliver to the, House to-day, the 21st February, 1979.

( The Motion is carried )

The House stands adjourned till 10 a. m. on Monday the 5th March.

## ADJOURNMENT

The House then rose at 12 noon and stood adjourned till 10 A .M. on Monday, the 5th March, 1979.

DISPUR :
The 2nd March, 1979

P. D. Barua
Secretary,
Assam Legislative Assembly.